# গুৱাহাটী বিশ্ববিদ্যালয় স্নাতক ষষ্ঠ ষান্মাসিকৰ

# ৬.৫৬ নং প্ৰশ্ন কাকতৰ বাধ্যতামূলক গৱেষণা পত্ৰ

## বিষয়ঃ নলবাৰী জিলাৰ জাপাৰকুছি গাঁওৰ এটি সামগ্ৰিক বিশ্লেষণ

Presented
04/06/2024


তত্বাৱধায়িকা

ড মনিমা ভূঞা

মুৰব্বী অধ্যাপিকা, অসমীয়া বিভাগ

মহেন্দ্ৰ নাৰায়ন চৌধুৰী বালিকা মহাবিদ্যালয়

গৱেষিকা ছাত্ৰী

নামঃ ভিটালী শৰ্মা

ৰোল নং-UA-211-193-0053

পঞ্জীয়ন নং-21086403

অসমীয়া বিভাগ


**মহেন্দ্ৰ নাৰায়ন চৌধুৰী বালিকা মহাবিদ্যালয়, নলবাৰী**

# কৃতজ্ঞতা স্বীকাৰ

গৱেষণা হৈছে জ্ঞান লাভৰ এক অন্যতম প্ৰণালী। গুৱাহাটী বিশ্ববিদ্যালয়ে স্নাতক মহলাৰ তৃতীয় বৰ্ষৰ ষষ্ঠ ষাণ্মাসিকৰ পাঠ্যক্ৰমত গৱেষণাৰ দৰে এক বহল পৰিসৰ লগতে এক গধুৰ বিষয়ৰ অন্তৰ্ভুক্তিৰে শিক্ষাৰ্থীসকলক মানসিক উৎকৰ্ষ সাধন কৰা বাবে যি ব্যৱস্থা হাতত লৈছে, ই নিশ্চয়কৈ তথা নিঃসন্দেহে প্ৰশংসনীয়। ইয়াৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয় নিঃসন্দেহে ধন্যবাদৰ পাত্ৰ।

গৱেষণা কাৰ্যটি মোৰ বাবে অচিন সাগৰ সদৃশ। এই গৱেষণা কাৰ্যটিত মোক পথ প্ৰদৰ্শন কৰা মোৰ শ্ৰদ্ধাৰ তত্ত্বাৱধায়িকা ড° মনিমা ভূঞা বাইদেউলৈ অন্তৰৰ নিভৃততম কোণৰ পৰা কৃতজ্ঞতা জ্ঞাপন কৰিলো লগতে মোৰ ক্ষুদ্ৰ গৱেষণা কাৰ্যটিত যথেষ্টখিনি সহায়ৰ হাত আগবঢ়োৱা আমাৰ অসমীয়া বিভাগৰ অধ্যাপিকা শ্ৰদ্ধাৰ ড° হীৰামনি তালুকদাৰ বাইদেউলৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো। ইয়াৰোপৰিও মহেন্দ্ৰ নাৰায়ণ চৌধুৰী বালিকা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপিকা ড° নিহাৰীকা মৰাণ বাইদেউ, পৰ্ণা মেধি বাইদেউ, পম্পী ৰাণী বৈশ্য বাইদেউ আৰু অধ্যাপক বিলৰাম ইংলেঙ ছাৰকও মোৰ ফালৰ পৰা ধন্যবাদ জ্ঞাপন কৰিলো।

মোৰ গৱেষণাৰ বিষয়টিৰ →


বিভাগীয় অধ্যাপিকা - অধ্যাপকসকলৰ সহায়ৰ

উপৰিও মোৰ এই ক্ষুদ্ৰ গৱেষণা কাৰ্যটিত আমাৰ মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰটোৱে মোক বহুখিনি সহায় আগবঢ়াইছে। গতিকে, মহাবিদ্যালয়খনৰ গ্ৰন্থাগাৰিক ড° মানসজ্যোতি ডেকা ছাৰক লগতে নিশাৰাণী হালৈ বাইদেউক মই এই ক্ষেত্ৰতে ধন্যবাদ যাচিলো।

মোৰ গৱেষণা বিষয়টিৰ বাবে প্ৰয়োজনীয় কিতাপ-পত্ৰ যোগাৰ কৰি দিয়াৰ বাবে মই মোৰ পিতৃ শ্ৰী ধীৰেন্দ্ৰ নাথ শৰ্মাক ধন্যবাদ জ্ঞাপন কৰিছো।

এই ক্ষুদ্ৰ গৱেষণাটিত মোক সম্পূৰ্ণ আগ্ৰহী কৰি তোলা তথা শাৰীৰিক, মানসিক আটাই দিশেৰে মোক সহায়ৰ হাত আগবঢ়োৱা মোৰ মৰমৰ বান্ধৱী দিক্ষীতা শৰ্মালৈ ধন্যবাদ জনালো।

# জাপাৰকুছি গাঁৱৰ মানচিত্ৰ




The Map data on this website is provided by Google Maps, a free online map service one can access and view in a web browser.

## সূচীপত্ৰ


| অৱতৰণিকা | পৃষ্ঠা নং |
|---|---|
| (i) অধ্যয়নৰ প্ৰয়োজনীয়তা | ১ |
| (ii) অধ্যয়নৰ পৰিসৰ | ২ |
| (iii) অধ্যয়নৰ প্ৰমেয় | ৩ |
| (iv) অধ্যয়নৰ পদ্ধতি | ৪ |
| (v) অধ্যয়নৰ সমল | ৫ |
| ১.০ প্ৰথম অধ্যায় | |
| ১.১ – নলবাৰী জিলাৰ পৰিচয় | ৬–১৬ |
| ১.২ – গাওঁৰ পৰিচয় | ১৭–২৯ |
| ১.৩ – চাৰিসীমা, মাটিকালি | ৩০ |
| ১.৪ – জনসংখ্যা, জাতি, বৰ্ণ, ধৰ্ম | ৩১ |
| ২.০ দ্বিতীয় অধ্যায় | |
| ২.১ – লোকপৰিবেশ্যকলাৰ পৰিচয়, সংজ্ঞা, শ্ৰেণীবিভাগ | ৩২–৩৪ |
| ২.২ – নলবাৰী অঞ্চলৰ লোকপৰিবেশ্য কলা | ৩৫–৪৬ |
| ৩.০ তৃতীয় অধ্যায় | |
| ৩.১ – নিজ অঞ্চল বা গাওঁৰ লোকপৰিবেশ্যকলাৰ পৰিচয় | ৪৭–৫৫ |
| ৩.২ – গীত-মাত নৃত্যকলাৰ পৰিচয় | ৫৬–৬৭ |

# সূচীপত্ৰ


| | পৃষ্ঠা নং |
|---|---|
| ১.৩ – লোকপৰিবেশ্যকলাসমূহৰ সাংস্কৃতিক দিশলৈ অৱদান / সামাজিক ভূমিকা | ৬৮ – ৭১ |
| ১.৪ – লোকপৰিবেশ্যকলাসমূহত বিশ্বায়নৰ প্ৰভাৱ : কিদৰে পৰিছে | ৭2 – ৭৪ |
| ৪.০ পৰিসমাপ্তি | ৭৫ – ৭৬ |
| ৫.০ গ্ৰন্থপঞ্জী | ৭৭ – ৭৮ |
| ৬.০ চিত্ৰ সংযোজন / সংবাদ দাতা / সংবাদদাতৃৰ পৰিচয় | ৭৯ – ৮৪ |

# অধ্যয়নৰ প্ৰয়োজনীয়তা

প্ৰকৃত তথ্যভিত্তিক বিশ্লেষণ অধ্যয়ন পদ্ধতিৰ দ্বাৰা সঠিকভাৱে বিশ্লেষণ কৰিব পাৰি। কোনো বিষয়বস্তু বস্তুনিষ্ঠ ৰূপত উপস্থাপনৰ বাবে অধ্যয়নৰ অতিকৈ প্ৰয়োজন। আধুনিক শিক্ষাব্যৱস্থাত অধ্যয়ন এক উল্লেখযোগ্য দিশ হিচাপে বিবেচিত হৈছে। কিয়নো অধ্যয়নশীলতাই প্ৰতিজন মানুহৰ মন-মগজু বিকাশত যথেষ্টখিনি সহায় কৰে লগতে নতুন নতুন কথা জনাত সহায় কৰে। আমাৰ অঞ্চলটো অতীতৰে পৰা সামাজিক সাংস্কৃতিক আদি দিশত যথেষ্ট আগবঢ়া যদিও এই অঞ্চলৰ বিশেষ গৱেষণামূলক অধ্যয়ন হোৱা নাই। যেয়েহে এই অঞ্চলৰ সাংস্কৃতিক পৰিক্ৰমা সম্পৰ্কে লগতে ঐতিহ্যমণ্ডিত এই গাৱঁৰ সামাজিক বিৱৰ্তন সম্পৰ্কেও অধ্যয়নৰ যথেষ্ট প্ৰয়োজন আছে। এই প্ৰয়োজনীয়তালৈ লক্ষ্য ৰাখি আমি যথেষ্ট সংবেদনশীলভাৱে এই অধ্যয়ন অব্যাহত ৰাখিবলৈ সচেষ্ট হৈছো। লগতে নিজ গাঁও তথা অঞ্চলটোত পূৰ্বৰে পৰা চলি অহা লোক পৰিবেশ্য কলাসমূহৰ বিষয়ে বিতংভাৱে জনাত এই অধ্যয়ন কাৰ্যটিয়ে যথেষ্টখিনি সহায় কৰিব। আমি ভাবো আমাৰ এই অধ্যয়নে ভৱিষ্যত প্ৰজন্মলৈ ইতিবাচক সঁহাৰি জনাব আৰু ভৱিষ্যত প্ৰজন্ম উপকৃত হ'ব।

## অধ্যয়নৰ পৰিসৰ

আমাৰ এই অধ্যয়নটিত নলবাৰী জিলাৰ চমু পৰিচয়, লগতে আমাৰ জাপাৰকুছি গাওঁখনৰ পৰিচয় আগবঢ়োৱা হৈছে। তাৰ লগতে নলবাৰী জিলাৰ লোকপৰিৱেশ্যকলা সম্বন্ধে এটা চমু আভাস দিয়া হৈছে। ইয়াৰোপৰি আমাৰ জাপাৰকুছি গাওঁৰ লোকপৰিৱেশ্যকলাসমূহ তথা গীত-মাত নৃত্যকলা সম্বন্ধে এটি বিহংগম দৃষ্টি আগবঢ়োৱা হৈছে।

এইখিনিয়েই হৈছে আমাৰ অধ্যয়নটিৰ পৰিসৰ।

## অধ্যয়নৰ প্ৰমেয়

প্ৰথম প্ৰমেয় :- আমাৰ জোপাৰকুছি সাওঁত পৰম্পৰাগতভাৱে চলি অহা লোকপৰিৱেশ্য কলাসমূহৰ এটা চমু বিশ্লেষণ দাঙি ধৰা হৈছে।

দ্বিতীয় প্ৰমেয় :- জোপাৰকুছি সাওঁত অতীজৰে পৰা চলি অহা গীত-মাত নৃত্যকলাৰ পৰিচয় সম্বন্ধে এটি চমু আভাস দিবলৈ প্ৰয়াস কৰা হৈছে।

তৃতীয় প্ৰমেয় :- জোপাৰকুছি সাওঁৰ লোকপৰিৱেশ্যকলাসমূহৰ সাংস্কৃতিক দিশলৈ অৱদান।

চতুৰ্থ প্ৰমেয় :- লোকপৰিৱেশ্যকলাসমূহত বিশ্বায়নৰ প্ৰভাৱ সম্বন্ধে আলোচনা আগবঢ়োৱা হৈছে।

## অধ্যয়নৰ পদ্ধতি

প্ৰস্তাৱিত বিষয়টিৰ অধ্যয়নত মই দুই ধৰণৰ পদ্ধতি অৱলম্বন কৰিব বিচাৰিছো। ইয়াৰে এটা বৰ্ণনাত্মক পদ্ধতি আৰু এটা হৈছে বিশ্লেষণাত্মক পদ্ধতি। প্ৰস্তাৱিত বিষয়টিত লোক পৰিবেশ্যকলাৰ বিষয়ে, লগতে তাৰ অন্তৰ্গত অনুষ্ঠানসমূহৰ বিষয়ে, জনপ্ৰিয়তা, পৰিবেশন শৈলী আৰু ইয়াৰ প্ৰভাৱ আমাৰ অসমীয়া সমাজত কেনেদৰে পৰিছে ইত্যাদিৰে মূলতঃ বৰ্ণনাত্মক পদ্ধতিটোক প্ৰয়োগ কৰিব বিচাৰিছো।

# অধ্যয়নৰ সমল

অধ্যয়নৰ বিষয়টি প্ৰস্তুত কৰোঁতে আমি মুখ্য আৰু গৌণ দুই ধৰণৰ সমল ব্যৱহাৰ কৰিছো। ইয়াৰে মুখ্য হিচাপে ইতিপূৰ্বে পণ্ডিতসকলে ৰচনা কৰা বিভিন্ন গ্ৰন্থ, স্মৃতিগ্ৰন্থ আৰু ক্ষেত্ৰ অধ্যয়নক আৰু গৌণ সমল হিচাপে ইণ্টাৰনেট, কলম, টোকাবহী, মোবাইল ফোন আদিক ব্যৱহাৰ কৰিছো। ইয়াৰ লগতে ক্ষেত্ৰ অধ্যয়নৰ প্ৰতিশ্য সংযোগত সাধাৰণ লোক বা বয়োজ্যেষ্ঠসকলৰ পৰামৰ্শৰ জৰিয়তে পোৱা প্ৰস্তাৱৰ বিভিন্নতাসমূহক গৌণ সমলৰূপে ব্যৱহাৰ কৰিছো।

এয়াই আমাৰ অধ্যয়নটিৰ ক্ষেত্ৰত ব্যৱহাৰ কৰা সমল।

## ১.০
## প্ৰথম অধ্যায়

### ১.১. নলবাৰী জিলাৰ পৰিচয় :-

উত্তৰ-পূব ভাৰতৰ দুৱাৰমুখ গুৱাহাটী। এই গুৱাহাটী মহানগৰৰ পৰা ৬০ কি.মি. আঁতৰত অৱস্থিত এখন জিলা হৈছে নলবাৰী জিলা। নলবাৰী জিলাখন সাংস্কৃতিক দিশত যথেষ্ট উন্নত আৰু শিক্ষাৰ ক্ষেত্ৰখনত আগবঢ়ুৱা বাবে জিলাখন শিক্ষাৰ "নৱদ্বীপ" ৰূপে খ্যাত। সাম্প্ৰতিক নলবাৰী এখন জিলা আৰু জিলাৰ সদৰ। অসমৰ প্ৰশাসনিক জিলা হৈছে নলবাৰী। প্ৰথমে নলবাৰী জিলাখন কামৰূপ জিলাৰ এক মহকুমা আছিল। ১৯৬৭ চনত ১ এপ্ৰিলত অসম চৰকাৰে নলবাৰীক মহকুমাৰূপে প্ৰশাসনিক দায়িত্ব কৰে আৰু ১৯৮৫ চনৰ ১৪ আগষ্টৰ পৰা নলবাৰীক এখন জিলা হিচাপে ঘোষণা কৰে।

নলবাৰী নামকৰণ সন্দৰ্ভত :- নলবাৰী নামটোৰ উদ্ভৱ সন্দৰ্ভত বহুতো জনশ্ৰুতি থকা দেখা যায় —

(১) এই ঠাইখিনিত এসময়ত যথেষ্ট পৰিমাণে নল-খাগৰি আছিল বাবে ইয়াৰ নাম "নলবাৰী" হোৱা বুলি কয়।

(২) ১৮৯৭ চনৰ ভূমিকম্পৰ ফলত লুপ্ত হোৱা 'ন' নামৰ নদীখনৰ পৰা "নলবাৰী" নামটো হোৱা বুলি জনশ্ৰুতি আছে।

(৩) নলবাৰী সত্ৰৰ সত্ৰাধিকাৰ প্ৰতাপ চন্দ্ৰ গোস্বামীৰ

মন্তব্য অনুসৰি দৈত্যকালৰ পশ্চিমফালে বিতোপন নলখাগৰি আছিল। তাৰ পাৰতে আহোম ৰজা লক্ষ্মীসিংহৰ পৰা কিছু ভূমি দান লৈ নাৰায়ণদেৱে নাৰায়ণপুৰ সত্ৰ পাতে। পিছলৈ এই ঠাইখন নাম অনুসৰি "নলবাৰী সত্ৰ" নাম হয়।

(৪) নলবাৰীৰ অন্যতম সাহিত্য সমালোচক "শশী শৰ্মাই" "নলবাৰী আৰু সাহিত্য সংস্কৃতি" গ্ৰন্থত উল্লেখ কৰিছে যে- নলবাৰী যথাৰ্থতে নৰবাৰীহে। প্ৰাচীনকালৰ পৰা এই অঞ্চলত মানুহৰ ঘৰ-বাৰী ইমান বেছি আছে যে ইয়াক "নৰবাৰী" বুলি আখ্যা দিব পৰা গৈছিল। এই "নৰবাৰী"য়ে কালক্ৰমত মানুহৰ মুখে মুখে "নলবাৰী" হ'ল বুলি কʼব পাৰি।

(৫) নদ-নদীৰ পাৰত বাস কৰা জনজাতি, কৈৱৰ্ত্য মানুহ প্ৰচামে উঠি আহি নতুনকৈ ন নদীৰ পাৰত উত্তৰে বসতি স্থাপন কৰা কাৰণে "নলবাৰী" হোৱা বুলি কোৱা হয়।

<u>জিলাখনৰ ভৌগোলিক বিৱৰণ :-</u> জিলাখনৰ ভৌগোলিক বিৱৰণ চাবলৈ গʼলে জিলাখনৰ মাটিকালি হৈছে- ৯৯৯.৯০ বৰ্গ কি.মি.। ২০১১ চনৰ লোকপিয়ল অনুসৰি জিলাখনৰ জনসংখ্যা ৭৬৯,৯১৯ জন, ইয়াৰে পুৰুষ

৩৯৫,৮০৪ জন আৰু মহিলা ৩৭৪,১১৫ জনী। মহিলাৰ সংখ্যা প্ৰতি ১০০০ পুৰুষৰ বিপৰীতে ৯৪৫ জনী। দহ বছৰত জনসংখ্যা বৃদ্ধিৰ হাৰ ১১.৭৪%। জিলাখনৰ বাৰ্ষিক বৃষ্টিপাত হিচাপে ১৫০০ মি.মি. আৰু গড় আদ্ৰতা ৪০%। সমুদ্ৰ পৃষ্ঠৰ পৰা জিলাখনৰ উচ্চতা ১০০০ ফুট।

জিলাখনৰ পৰিসীমা :- নলবাৰী জিলাৰ পূব দিশে কামৰূপ জিলা আৰু দৰং জিলা, পশ্চিম দিশে বৰপেটা জিলা, উত্তৰ দিশে বাক্সা আৰু দক্ষিণ দিশে ব্ৰহ্মপুত্ৰ নদী।

জিলাখনৰ নৈ-উপনৈৰ ক্ষালৰ পৰা দক্ষিণে আছে ব্ৰহ্মপুত্ৰ নদী। আন আন প্ৰধান উপনৈসমূহ হ'ল- পাগলাদিয়া, নোনা, বৰলীয়া, বুঢ়াদিয়া আদি।

নলবাৰী জিলাৰ ঐতিহ্যমণ্ডিত মঠ-মন্দিৰসমূহৰ নাম- নলবাৰী হৰি মন্দিৰ, বালিলেছা কালী মন্দিৰ, বিল্লেশ্বৰ দেৱালয়, নলবাৰী গণেশ মন্দিৰ ইত্যাদি।

তদানীন্তন কালত নলবাৰী জিলাৰ অঞ্চল প্ৰাগজ্যোতিষ কামৰূপৰ অধীনত আছিল। পিছলৈ

কামৰূপ কমতাৰ অধীনত আছিল। বৃটিছ শাসনকালত নলবাৰী কামৰূপ জিলাৰ অন্তৰ্গত আছিল। পিছলৈ নলবাৰী ৰাজহচক্ৰ স্থাপিত হয়। নলবাৰী জিলাৰ বৰ্তমান অধীনস্থ ৰাজহচক্ৰ হৈছে ৭টা। ৰাজহচক্ৰবোৰ ক্ৰমে হ'ল-

(i) পশ্চিম নলবাৰী (ৰাজহ গাঁৱৰ সংখ্যা ৫৪ খন)।

(ii) বৰক্ষেত্ৰী (ৰাজহ গাঁৱৰ সংখ্যা ১২৪ খন)।

(iii) বৰভাগ (ৰাজহ গাঁৱৰ সংখ্যা ৬০ খন)।

(iv) নলবাৰী (ৰাজহ গাঁৱৰ সংখ্যা ৮৯ খন)।

(v) বানেকুছি (ৰাজহ গাঁৱৰ সংখ্যা ২৩ খন)।

(vi) টিহু (ৰাজহ গাঁৱৰ সংখ্যা ২৯ খন)।

(vii) ঘগ্ৰাপাৰ (ৰাজহ গাঁৱৰ সংখ্যা ৮৪ খন)।

নলবাৰীত ৰাজহ চক্ৰ কেতিয়া স্থাপিত হয়, আমাৰ হাতত তাৰ কোনো তথ্য নাই।

বৰ্তমান নলবাৰী জিলাৰ মৌজাৰ সংখ্যা ১৭খন। নলবাৰী জিলাখন "খাতা মৌজা"ৰ অন্তৰ্গত।

নলবাৰী জিলাৰ লোকসকলৰ জাতি, বৰ্ণ বৃত্তিক পৰিচয়:-

নলবাৰী জিলাখনত বিভিন্ন জাতি জনজাতিৰ লোকে

বসবাস কৰি আহিছে। যেনে: বড়ো, কছাৰী, ৰাভা, কাৰ্বি, নেপালী, কিৰাট, চাঁওতাল, অষ্ট্ৰিক, দ্ৰাবিড়, নৰ্ডিক আৰ্য। ইয়াৰোপৰি এডৰাৰ্ট গেইটে কোৱাৰ দৰে দ্ৰাবিড়ী জনগোষ্ঠী ভুক্ত নদীয়াল মানুহবো বসতি আছে। এই জিলাখনত ইছলামধৰ্মাৱলম্বী লোকেও বসতি কৰি আহিছে। ইছলামধৰ্মীয় লোকসকলৰ পবিত্ৰ তীৰ্থস্থানস্বৰূপে নলবাৰী চহৰৰ মাজমজিয়াত জিলিকি থকা এক সম্পদ হ'ল বড় মছজিদ। এই মছজিদৰ নিৰ্মাণকাৰ্য ১৯৪৬ খ্ৰীষ্টাব্দত আৰম্ভ হৈছিল।

নলবাৰী জিলাত বিভিন্ন বৃত্তিৰ মানুহে বসবাস কৰি আহিছে। কিন্তু, সেই বৃত্তিসমূহৰ ভিতৰত নলবাৰী জিলাৰ জনসাধাৰণৰ সাধাৰণ জীৱিকা হৈছে কৃষি। এই জিলাখন কৃষিকাৰ্যৰ বাবে উপযোগী এখন জিলা। কিয়নো নলবাৰী উপযুক্ত খেতিপথাৰেৰে পৰিপূৰ্ণ এখন জিলা। এই জিলাখনৰ খেতি পথাৰবোৰত বৈজ্ঞানিক ভিত্তিত খেতি কৰা বাবে পথাৰৰ সংখ্যা অতি ভাকৰ। কৃষিবৃত্তি অৱলম্বন কৰি নলবাৰীৰ বহুসংখ্যক মানুহে যথেষ্ট উপকৃত হৈ আহিছে। কৃষিৰ লগতে বেছি

সংখ্যক লোক ব্যৱসায়-বানিজ্য, চাকৰিয়াল আদি লোকেও নলবাৰী জিলাত জীৱন নিৰ্বাহ কৰি আছে।

## নলবাৰী জিলাৰ উৎসৱ-অনুষ্ঠান সমূহ :-

ইতিমধ্যে নলবাৰী জিলাৰ উৎপত্তি সন্দৰ্ভত কিছু চমু আভাস দাঙি ধৰিলো যদিও জানিব পালো যে এই বিষয়ত কিছু পণ্ডিত লোকে বিভিন্ন মতবাদ আগবঢ়াইছে। তাৰ ভিতৰত নলবাৰীৰ এগৰাকী অন্যতম সাহিত্য সমালোচক হ'ল মাননীয় শৰ্মা শৰ্মাদেৱ। শৰ্মাদেৱে দিয়া এটা মত অনুসৰি - "ভোটৰ সুন্দৰ আসত পৰ্বতৰ নামনিৰ দস্যু প্ৰবৃত্তিৰ ভোঁটহঁত দল হৈ আহি মাজে মাজে আলিৰ দক্ষিনে থকা গাঁওবোৰ লুট কৰিছিল। সিহঁতৰ অত্যাচাৰত উৎপীড়িত হৈ গাৱলীয়া ক্ৰমে ভাগিব ধৰে। গাৱলীয়াসকল দুভাগ হৈ আহোঁতে কিছুমানে নঁ নদীৰ পাৰ পাই আৰু চোপাচোপকৈ নদীৰ ভোজে ভোজে বহি যায়। নঁ নদীৰ পাৰ নলখাগৰি, হাবি জংঘলেৰে ভৰা আছিল। এইবোৰ চাফা কৰি বস্তি স্থাপন কৰিছিল আৰু উচ্চবংশীয়

লোক থকা খাতাবাৰী ঠাইৰ ওচৰতে থকা দেখি খাতাবাৰী আৰ্হিতে "নলবাৰী" নামটো ৰাখিছিল যেন অনুমান হয়। অন্য এটি জনশ্ৰুতিৰ আধাৰত আমি ব্যাখ্যা কৰিব পাৰো যে- বহুতো নলখাগৰিৰে আবৃত হৈ থকা কাৰণে হয়তো এই ভূখণ্ডক "নলবাৰী" নাম দিয়া হৈছিল।

ইয়াৰোপৰি, নলবাৰী অঞ্চলত "নট" শ্ৰেণীভুক্ত লোকসকলেও বসবাস কৰিছিল বাবে এই অঞ্চলৰ নাম "নটবাৰী" বা "নড়বাৰী" বা "নলবাৰী" হোৱা বুলি কোনো কোনোৱে কয় থাকে। "নট" শ্ৰেণীভুক্ত লোকসকলে পুতলা নাচ, দেওধনী নৃত্য, ওজাপালি, ঢুলীয়া নাচ, নাগাৰা নাম, খেৰাই নৃত্য আদি পৰিৱেশন কৰিছিল। সেইকালৰ পৰা কব পাৰি যে অতীজৰে পৰা নলবাৰীত নাট, ভাওনা, অভিনয় আদিৰ পৰম্পৰা এটাৰ প্ৰচলন হৈ আছিল। ওজাপালি আৰু ভোইৰা নলবাৰীত অতি জনপ্ৰিয় লোকনাট্য অনুষ্ঠান। দোল-মখনি, পচতি, আপীওজা, নাগাৰা নাম, মহোহো আদি নলবাৰী জিলাৰ ভাওনা অনুষ্ঠান। সেইদৰে, পুতলা নাচো অতি পুৰণি নাট্যানুষ্ঠান। ঢুলীয়াৰ ভাও নলবাৰী অঞ্চলৰ অন্যতম জনপ্ৰিয় নাট্যানুষ্ঠান।

শিক্ষাৰ নৱদ্বীপৰূপে নলবাৰী জিলা :-

নলবাৰীত শিক্ষাৰ সুযোগ উচ্চমানৰ। নলবাৰীত সংস্কৃত ভাষা-শিক্ষা অধ্যয়নৰ ক্ষেত্ৰ হিচাপে জনা যায়। বিভিন্নখন টোলত সংস্কৃত পণ্ডিতৰ দ্বাৰা সংস্কৃত ভাষা শিক্ষাৰ প্ৰচাৰ প্ৰসাৰৰ বাবে প্ৰয়াস চলিছিল। সম্প্ৰতি কেইখনমান টোলে ইয়াৰ স্বাক্ষৰ বহন কৰি আহিছে। অসমৰ এখন অন্যতম সংস্কৃত বিশ্ববিদ্যালয় হৈছে "কুমাৰ ভাস্কৰ বৰ্মা পুৰাতন আৰু সংস্কৃত বিশ্ববিদ্যালয়"। এই বিশ্ববিদ্যালয়খন নলবাৰী অঞ্চলতে অৱস্থিত। ইয়াৰ উপৰিও নলবাৰীৰ কেইখনমান আগশাৰীৰ মহাবিদ্যালয় হ'ল - নলবাৰী মহাবিদ্যালয়, মহেন্দ্ৰ নাৰায়ণ চৌধুৰী বালিকা মহাবিদ্যালয়, নলবাৰী বাণিজ্য মহাবিদ্যালয়, নলবাৰী আইন মহাবিদ্যালয়। সেইবাবে নলবাৰীক শিক্ষা বা জ্ঞানৰ নৱদ্বীপ নামেৰেও জনা যায়। সংস্কৃত চৰ্চাৰ জনপ্ৰিয়তা দেখি এগৰাকী ইংৰাজ চাহাবৰ মন্তব্য —

"Nalbari is holding aloft the lamp of Sanskrit learning in the eastern region of the vast country."

নলবাৰী জিলাৰ শিক্ষিতৰ হাৰ হৈছে – ৭৩.৮৫%।

নলবাৰী জিলা কেৱল শিক্ষাৰ ক্ষেত্ৰতে নহয় সাহিত্য-সংস্কৃতি, ক্ৰীড়া, বিজ্ঞান-প্ৰযুক্তি বিদ্যা, ৰাজনীতি, সমাজ আদি আটাইবোৰ ক্ষেত্ৰতে নলবাৰীয়ে এক গুৰুত্বপূৰ্ণ স্থান দখল কৰি আছিছে। নলবাৰীৰ লোক যুদ্ধবিদ্যাত পাৰ্গত আছিল আৰু দেশপ্ৰেমী আছিল। ইয়াৰ স্বাক্ষৰ বুৰঞ্জী আৰু জনশ্ৰুতিসমূহৰ পৰা পোৱা যায়।

নলবাৰী জিলাখন এটা মহকুমাৰে গঠিত। সদৰ হৈছে নলবাৰী। জিলাখনৰ উন্নয়ন খণ্ডসমূহ হ'ল – পূৱ নলবাৰী, বৰভাগ, বৰক্ষেত্ৰী, বড়িগোগ, বনভাগ, পশ্চিম নলবাৰী, মধুপুৰ, টিহু, ৰঙিয়া।

নলবাৰীত চহৰৰ সংখ্যা হৈছে – নলবাৰী আৰু টিহু। এই দুয়োখন চহৰক ৩১ নং ৰাষ্ট্ৰীয় ঘাইপথে সংযোগিত কৰি ৰাখিছে। এই ঘাইপথটো অন্যতম এটা ৰাষ্ট্ৰীয় ঘাইপথ। এই ঘাইপথটোৱে যাতায়তৰ ক্ষেত্ৰত দেশৰ সকলো প্ৰান্তলৈ যোৱাৰ পথ। ইয়াৰোপৰি নলবাৰী জিলাৰ ৰেল ব্যৱস্থাটো অতি সুচল। নলবাৰী জিলাৰ মাজেৰে ৰেলপথৰ অন্যতম যাতায়তৰ ব্যৱস্থা আছে।

## নলবাৰী জিলাৰ লোক-পৰিবেশ্য কলা :-

সাংস্কৃতিক দিশৰ পৰাও নলবাৰী এখন প্ৰসিদ্ধ জিলা। নলবাৰী জিলাৰ প্ৰসিদ্ধ নাট্যানুষ্ঠান হ'ল- ঢুলীয়াৰ ভাও। ঢুলীয়াৰ ভাও অসমীয়া ভাওনাতকৈ প্ৰাচীন বুলি ভবাৰ থল আছে। নলবাৰী অঞ্চলতো ঢুলীয়াৰ ভাও শংকৰদেৱৰ সময়ৰ পূৰ্বৰে পৰা প্ৰচলিত হৈ আহিছিল বুলি অনুমান কৰিব পাৰি। ঢুলীয়াসকলে একেলগে ৯-১০টা পৰ্যন্ত ঢোল সংগত কৰে। লগতে পাঁচ বা সাত তালো সংগত কৰে। গাঁওৰ বিভিন্ন অনুষ্ঠান যেনে- বৰসবাহ, পূজা, দৌল, ভথেলি আদিত সাধাৰণতে ঢুলীয়াৰ ভাও প্ৰদৰ্শন কৰা হয়। ইয়াৰোপৰি বিয়াহতো এই ঢুলীয়াৰ ভাও প্ৰদৰ্শন কৰা দেখা গৈছিল। কিন্তু, এই অনুষ্ঠানটোত মহিলাৰ স্থান নাই। নলবাৰীৰ ঢুলীয়াসকলে "বেশ্যা-পুতলা"ৰ ভাও দি জনসাধাৰণৰ মাজত ঐক্য, সংহতিৰ নীতি প্ৰচাৰ কৰিছিল। নলবাৰীৰ এটা উল্লেখযোগ্য ঢুলীয়া দল হৈছে - কৈশাটী দল। ১৯৮৫ চনত ভাৰত চৰকাৰৰ সাংস্কৃতিক মন্ত্ৰালয়ে কৈশাটীৰ মোহন ভাইৰাক সংগীত নাটক একাডেমী সন্মান প্ৰদান কৰি সমগ্ৰ নলবাৰী জিলাখনক গৌৰৱান্বিত কৰি তুলিছিল।

কৈশাটী ঢুলীয়া দলটোৱে অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকৰ যোগেদি আন্দামান নিকোবৰ দ্বীপপুঞ্জ, দিল্লী, কলিকতা, ভূপাল, অন্ধ্ৰপ্ৰদেশ আদিত ভাও প্ৰদৰ্শন কৰি প্ৰশংসা বুটলিবলৈ সক্ষম হৈছিল। পূৰ্বৰে পৰা নলবাৰী জিলা নাট্য, অভিনয় আৰু সাংস্কৃতিক ক্ষেত্ৰত পৰা ~~নলবাৰী জিলা~~ এক চহকী পৰম্পৰা পৰিলক্ষিত হয়। কিন্তু, নলবাৰীত ভাওনাৰ প্ৰাদুৰ্ভাৱ কম। ওজাপালি, পুতলা নাচ আৰু ঢুলীয়া নাচৰ সমাদৰ আছে।

নলবাৰী জিলাখন পাহাৰ-পৰ্বত নথকা সমতল ভূমি। এই জিলাখনৰ মাজেদি চিৰপ্ৰবাহমান হৈ আছে পাগলাদিয়া, বৰলীয়া, মৰাপাগলাদিয়া আৰু বুৰাদিয়া উপনৈসমূহ। নলবাৰী জিলাৰ এক জ্বলন্ত সমস্যা হিচাপে চিহ্নিত হৈ আহিছে বানপানীৰ সমস্যাটো। গতিকে, ৰাজ্যিক চৰকাৰে ইয়াৰ ওপৰত পদক্ষেপ লোৱাটো অত্যন্ত প্ৰয়োজন।

১.2

## গাঁওৰ পৰিচয়

মই বসবাস কৰা গাঁওখনৰ নাম হৈছে জাপাৰকুছি। এই জাপাৰকুছি গাঁওখন নলবাৰী চহৰৰ দক্ষিণৰ ইয়াৰ গাতে লগা। এই গাঁওখন যদিও নলবাৰীৰ সীমাত অৱস্থিত তথাপিও কুৰি শতিকাৰ প্ৰথম দশকলৈকে ইয়াৰ চহৰৰ পৰা সম্পূৰ্ণৰূপে বিচ্ছিন্ন কৰি ৰাখিছিল জাপাৰকুছিৰ বিলখনে। এই বিলখন নলবাৰী কলেজ, বুনিয়াদী প্ৰশিক্ষণ কেন্দ্ৰ, পশু চিকিৎসালয় আৰু তাৰ লগতে পশ্চিমফালে হাজো ৰোডলৈ বিস্তৃত হৈ আছিল। ইয়াৰ ফলতেই যাতায়তৰ সুবিধাৰ অভাৱত নলবাৰী চহৰৰ লগত যোগাযোগ বন্ধ আছিল। ১৯ শতিকাৰ শেষভাগত আৰু কুৰি শতিকাৰ প্ৰথমতে ভুঁইকপ আৰু পাগলাদিয়া নদীৰ দুটা সোঁত এই গাঁওৰ মাজেৰে বৈ যোৱাত প্ৰায় ৪০ বিঘা মাটি চৰকাৰী পতিত মাটি হিচাপে ৰখা হয়। এই চৰকাৰী ভূখণ্ড জাপাৰকুছি গাঁওৰ সীমাৰ ভিতৰত হোৱা হেতুকে জাপাৰকুছিৰ সমূহ ৰাইজে অন্য গাঁওৰ মানুহে দখল কৰাৰ চেষ্টাত বাধা প্ৰদান কৰে আৰু আইনৰ সহায়ত তেনে চেষ্টাত বাধা দিবলৈ সক্ষম

হয়। আনুমানিক ১৯৩০-৩২ চনলৈ এই চৰকাৰী মাটিখিনি চৰণীয়া পথাৰ আৰু শ্মশান হিচাপে ব্যৱহৃত হৈ আছিল।

জাপাৰকুছি গাঁওখনৰ নামৰ তাৎপৰ্যও প্ৰাকৃতিক পৰিৱেশক কেন্দ্ৰ কৰিয়ে হৈ গঢ় লৈ উঠা বুলি ভবাৰ সমল সম্পৰ্ক আছে। লোকোক্তিৰ পৰাও ইয়াকে জনা যায়। আন এটা লোকোক্তিৰ মতে এই অঞ্চলৰ লোক শিলপ জাপি, জপাৰ পৰা জাপাৰকুছি নামৰ উৎপত্তি হয় বুলি কোৱা হয় যদিও এই অঞ্চলৰ মানুহৰ অতীত কৰ্মৰাজিয়ে এই লোকোক্তিক প্ৰতিপন্ন কৰে।

জানিব পৰা মতে, এই অঞ্চলত এসময়ত এখন বৰ ডাঙৰ বিল আছিল। ইয়াৰ কাষেৰে হেনো এখন নদীয়ো বৈ গৈছিল। ১৮৯৭ চনৰ ভূমিকম্পত এই নদীটোৰ গতি সলনি হয় আৰু বিলখনো বন্ধ হৈ পৰে। এই অঞ্চলটোক অৰণ্য হাবি-জংঘলে ঘেৰি ধৰি আছিল। নৈ, বিল, নল খাগৰি, উলুবন আদিৰে পৰিপূৰ্ণ হৈ থকা এই অঞ্চলক জাপি ধৰিছিল

বুলিয়েই এই অঞ্চলৰ নাম জাপাৰকুছি বুলি জনা যায়। ইয়াৰ "জাপৰ" শব্দৰ আভিধানিক শব্দত অৰ্থ হ'ল অলাগতিয়াল খেৰ-কুটা বা জাবৰ। এই জাপৰ শব্দৰ পৰা "জাপাৰ" শব্দটো অহা বুলি ক'ব পাৰি। জাপাৰকুছিৰ অতীত প্ৰাকৃতিক পৰিৱেশেও তাকেই কয়।

পূৰ্বতে জাপাৰকুছি গাঁৱৰ যাতায়ত অতি অনুন্নত আছিল। যাৰ ফলত ইয়াৰ শৈক্ষিক পৰিৱেশ গঢ়ি উঠিব পৰা নাছিল আৰু আৰ্থিক অৱস্থাও টনকিয়াল হ'ব পৰা নাছিল। গাঁৱৰ প্ৰায় সকলো মানুহেই আছিল কৃষিজীৱি। কৃষিৰ ওপৰত ভিত্তি কৰিয়েই জীৱন নিৰ্বাহ কৰিছিল। যাতায়তৰ অসুবিধাৰ কাৰণে লৰা-ছোৱালীক স্কুললৈ পঠিওৱা, বজাৰ আদি কৰাত যথেষ্ট অসুবিধা অনুভৱ কৰি নলবাৰীৰ লগত সংযোগ স্থাপনৰ এটা পথ নিৰ্মাণ কৰাৰ কথা সদায় চিন্তা কৰি আহিছিল। বৰ্তমানৰ নলবাৰী কমাৰকুছিৰ গড়কাপ্তানি পথটো বন্ধাৰ আগেই জাপাৰকুছিৰ ৰাইজে নলবাৰীলৈ হাট-বজাৰ, কাছাৰী আদিলৈ বাহিৰা মালিকুছি হৈ আৰু ঘগৰালি বাননি পথাৰৰ মাজেৰে কষ্ট কৰি অহা-যোৱা কৰিব লাগিছিল। বৰ্তমান জাপাৰকুছি গাঁৱৰ মুঠ চুবুৰীৰ সংখ্যা হৈছে ১৩(তেৰ) টা।

সাওঁতালৰ লোকৰ জীৱন নিৰ্বাহৰ পথ :-

সাওঁতালৰ মানুহ কৃষিজীৱি আছিল যদিও বিশেষ উন্নতিয়াল নাছিল। তথাপি কৃষিজীৱি মানুহখিনিয়ে নিমখ আৰু কেৰাচিন তেলৰ বাহিৰে বাকী সমস্ত পৰিয়ালৰ লাগতিয়াল খাদ্যসামগ্ৰী কৃষিৰ পৰা পাইছিল বুলি জনা যায়। সাওঁতালৰ ঘৰে ঘৰে শাল আছিল আৰু নিজৰ পৰিয়ালৰ আৱশ্যকীয় বস্ত্ৰসমূহ ঘৰতেই তৈয়াৰ কৰি লৈছিল। কপাহৰ পৰা সূতা তৈয়াৰ কৰি কপাহী কাপোৰ উৎপাদন কৰিছিল। ঠাণ্ডাৰ বাবে এৰীয়া কাপোৰ উৎপাদন কৰিবলৈ পলু প্ৰতিপালন কৰিছিল। প্ৰায়ভাগ মানুহৰ ঘৰত কৰঙা সহ আৰু এৰা সহ ৰাখিছিল বস্ত্ৰ শিল্পত মহিলাসকল আগৰণুৱা আছিল। পুৰুষসকলে কৃষিকাৰ্যৰ উপৰিও আজৰি সময়ত বাঁহ-বেতৰ সামগ্ৰীসমূহ তৈয়াৰ কৰি লৈছিল। বাঁহ-বেতৰ কাম ব্যৱসায় ভিত্তিতো তৈয়াৰ কৰি [illegible] আৰ্থিক দিশ উন্নতিয়াল কৰিছিল। কাপোৰ-বোৱাৰ বাবে জপা আৰু ৰ'দ- বৰষুণত ব্যৱহাৰৰ বাবে জাপিৰ উৎপাদনো এই সাওঁতৰ এটা

উল্লেখনীয় কুটীৰ শিল্প আছিল। তাপাৰকুছি গাওঁৰ হস্তশিল্পবোৰ কুৰি শতিকাৰ মাজভাগলৈ চলি আছিল। বৰ্তমানেও ডম্বৰুধৰ বৰ্মন, মহেন্দ্ৰ বৰ্মন, ৰঘু ঠাকুৰীয়া আদি ব্যক্তিয়ে বাঁহ-বেতৰ কাম কৰি আছে।

গাওঁখনৰ আৰ্থ-সামাজিক দিশৰ প্ৰতি লক্ষ্য কৰিলে দেখা যায় গাওঁবাসীয়ে বিভিন্নধৰণৰ ব্যৱসায়ত জড়িত হৈ ঘৰখনৰ আৰ্থিকস্থিতি টনকিয়াল কৰাৰ বাবে মনোযোগ দিছিল। দুই-চাৰিজন চাকৰি কৰা লোকৰ বাহিৰে গাওঁৰ মানুহৰ প্ৰধান জীৱিকা আছিল কৃষি আৰু কৃষি আৰু ব্যৱসায়। জীৱিকাৰ সন্ধানত বহু লোকে নলবাৰীৰ পৰা অসমৰ বিভিন্ন ঠাইলৈ ব্যৱসায়ৰ বাবে ডাপলি মেলিছিল। পূৰ্বতে যাতায়তৰ বাবে সু-ব্যৱস্থা নাছিল আৰু মটৰ গাড়ীৰ ব্যৱহাৰো কম আছিল। গাওঁৰ মানুহে গৰুগাড়ী আৰু ঘোঁৰা গাড়ী যাতায়তৰ কামত ব্যৱহাৰ কৰিছিল। প্ৰায় মানুহৰ ঘৰে ঘৰে গৰুগাড়ী আছিল। এই গৰু গাড়ী নিজৰ কৃষিকৰ্মত ব্যৱহাৰ কৰাৰ উপৰিও ভাৰালৈ দিয়া হৈছিল।

পশ্চিম জাপাৰকুছিৰ কৈৱৰ্ত্ত লোকসকলে অতীতৰ পৰা আজিলৈকে মাছৰ ব্যৱসায় কৰি জীৱন-নিৰ্বাহ কৰি আছিল পশ্চিম জাপাৰকুছিৰ একাংশলোকে সোন-ৰূপৰ ব্যৱসায় কৰি চলি আছে। অতি দুখৰ কথা যে আজিও জাপাৰকুছি সাতঁত দিন হাজিৰা কৰি পৰিয়ালক পোহ-পাল দিব নোৱাৰা ব্যক্তি আছে। এইসকলৰ প্ৰতি আমি সাতঁৰাসী আজিও উদাসীন। জাপাৰকুছি সাতঁৰ পূৰ্বৰ কৃষিজীৱি লোকৰ একাংশ আজি দিনহাজিৰা কৰা লোকত পৰিণত হৈছে।

জাপাৰকুছিৰ পৰম্পৰাগত সাংস্কৃতিক জীৱন :-

সংস্কৃতিয়ে মানৱ সমাজক অন্যপ্ৰাণীৰ পৰা পৃথক কৰি জীৱশ্ৰেষ্ঠ আখ্যাৰে আখ্যায়িত কৰিছে। কোনো এখন সমাজক বা কোনো এটা অঞ্চলক অতীজৰে পৰা প্ৰচলিত হৈ অহা ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, ভাবচিন্তা আৰু কাৰ্য্যাৱলীক লৈ সমাজখনক বা অঞ্চলটোক লৈ সংস্কৃতি গঢ় লৈ উঠে আৰু এই সংস্কৃতিয়ে এখন সমাজক আন এখন সমাজৰ পৰা অথবা এটা অঞ্চলক আন এটা অঞ্চলৰ পৰা পৃথক কৰে মানুহৰ জীৱনযাত্ৰাত গতিশীলতা দান

কৰি সুসংহত ৰূপ দান কৰাত সংস্কৃতিয়ে অভূতপূৰ্ব অৰিহণা যোগাই আহিছে। সেয়েহে ই অনস্বীকাৰ্য যে সংস্কৃতিৰ আলোচনা অবিহনে মানুহৰ জীৱনযাত্ৰা চালনা কৰাটো কেৱল অস্বাভাৱিকেই নহয়, অসম্ভৱো।

অসমৰ সংস্কৃতি বৰ্ণাঢ্য সংস্কৃতি। প্ৰকৃতিৰ সেউজী কোলাত যুগ যুগ ধৰি জীপাল হৈ থকা গ্ৰামাঞ্চলৰ পৰম্পৰাগত সংস্কৃতিয়ে এই সংস্কৃতিক বাৰেৰহনীয়া ৰূপ প্ৰদান কৰিছে। বৈচিত্ৰ্যপূৰ্ণ সাংস্কৃতিক জীৱন লীলাভূমি নলবাৰী জিলাৰ সদৰৰ পৰা দুই কি.মি. দক্ষিণে অৱস্থিত ৪নং ৱাৰ্ডৰ অন্তৰ্গত জাপাৰকুছি এখন সুপ্ৰাচীন জনবহুল গাওঁ। এই গাওঁৰ প্ৰাচীন সাংস্কৃতিক ঐতিহ্যৰ নিৰ্ভৰযোগ্য স্বাক্ষৰ আজি পাবলৈ নাই। কিন্তু গুণিৰ পোৱা মতে অতি প্ৰাচীনকালৰে পৰা এই গাওঁখনৰ সাংস্কৃতিক জীৱন সু-সমৃদ্ধ নহলেও একেবাৰে নিষ্প্ৰভো নাছিল। অসমৰ আন গাওঁসমূহৰ নিচিনাকৈও এই গাওঁৰ মানুহখিনিয়েও পৰম্পৰাগত সংস্কৃতিৰ মাধ্যমেৰে জীৱন-যাপন কৰি আহি বৰ্তমানৰ ৰূপ পৰিগ্ৰহণ কৰিছিল। এটা সময়ত

জাপাৰকুছি গাওঁৰ মানুহে "জপা", "জাপি" আদি নিৰ্মাণত অঞ্চলটোৰ ভিতৰতে আগৰণ আছিল আৰু এই জাপিয়ে অসমৰ সাংস্কৃতিক জীৱনলৈ এক বিশেষ বৰঙণি আগবঢ়াই আহিছে।

## জাপাৰকুছি গাওঁৰ কুটীৰ শিল্প :-

বুঢ়াগোহাঞিৰ থান, কলীয়া নামঘৰ, সেন্ধেলী পুখুৰী আদিয়ে সৌন্দৰ্য্য বৰ্ধন কৰা জাপাৰকুছি গাওঁৰ কুটীৰ শিল্প বুলিবলৈ গলে কমাৰশিল্প, সোণাৰীশিল্প, জাপিশিল্প, বাঁহশিল্প আৰু বয়ন শিল্পৰ কথাকে কব লাগিব। এসময়ত সমগ্ৰ অঞ্চলতে খ্যাতি থকা জাপিশিল্প সম্প্ৰতি লুপ্ত হৈছে যদিও দাঁতিকাষৰীয়া ভেবেচিয়া, মুগকুছি আদি গাওঁত এই শিল্পৰ নিদৰ্শন আজিও আছে। বাঁহৰ নিত্য ব্যৱহাৰ্য বিভিন্ন সা-সৰঞ্জাম ঘৰতে নিৰ্মাণ কৰি লোৱা পৰম্পৰা জাপাৰকুছি গাওঁৰ পৰা আজিও সম্পূৰ্ণ তিৰোহিত হোৱা নাই। এই গাওঁতে মন্টুৰা বৰ্মন, উম্বৰেটৰ বৰ্মন, ভগৱান বৰ্মন, গজেন্দ্ৰ বৰ্মন, ভোলেন বৰ্মন, মুকেশ বৰ্মন আদি লোকে এই শিল্প কাৰ্যত আজিও সিদ্ধহস্ত।

বয়ন শিল্পৰ কথা কলে গ্ৰামীণ সমাজত

অতীজৰে পৰা বস্ত্ৰৰ যোগান ধৰি অহা শিপিনীসকলৰ কথাই মনলৈ আহে। এসময়ত এই গাঁৱৰ শিপিনীয়ে এৰী, পলু পুহি সূঁতা কাটি নিজে তৈয়াৰ কৰা এৰী কাপোৰ বিক্ৰী কৰিছিল। কপাহ, নেথি, সূতা কাটি প্ৰয়োজনীয় কাপোৰ বৈ লৈছিল। প্ৰতিঘৰ মানুহৰে এখনকৈ হ'লেও শাল আছিল। ঘৰত বোৱা কাপোৰৰ পেন্ট-চাৰ্ট পৰ্যন্ত তৈয়াৰ কৰি লোৱা হৈছিল। চহৰীয়া গাঁৱত স্পৰ্শ অনুভূত হ'লেও ঘৰতে তৈয়াৰ কৰি লোৱা কাপোৰৰ সমাদৰ এই গাঁৱত আজিও আছে।

এইদৰে, পৰম্পৰাগতভাৱে চলি অহা বিভিন্ন সাংস্কৃতিক অনুষ্ঠান, উৎসৱ, শিল্প আদিৰ কিছু মৰহি গৈছে, আন কিছু পাহৰণিৰ গৰ্ভত লীন যাবলৈ ওলাইছে আৰু দুই এক বৰ্তমানেও প্ৰচলিত হৈ আছে। গাঁৱখনৰ ঐতিহ্য বহনকাৰী এই আচাৰবোৰ সংৰক্ষিত কৰাৰ প্ৰয়োজনীয়তা, আমি প্ৰত্যেকেই উপলব্ধি কৰিব লাগিব। তেতিয়াহে আমাৰ বৰ্তমানৰ ভৱিষ্যত প্ৰজন্মই সোনালী অতীত বুলি আকোৱালি লব।

জালাহকুছিৰ পৰম্পৰাগত সাংস্কৃতিক জীৱনৰ কথা আলোচনা কৰাৰ প্ৰসংগত, এই গাঁওৰ নাট্য, সংগীত আৰু বিভিন্ন সুকুমাৰ কলাৰ চৰ্চা সম্পৰ্কেও সাধাৰণ আভাস দিয়া নিশ্চয় উচিত হ'ব। ১৯৫১ চনত কলীয়া নামঘৰ প্ৰাংগনত সৰ্বানন্দ পাঠকৰ "আজিৰ মানুহ" নাট মঞ্চস্থ হোৱাৰ আগলৈকে ইয়াত আধুনিক নাট মঞ্চস্থ হোৱাৰ নিদৰ্শন পোৱা নাই। ইয়াৰ পিছৰে পৰা আৰম্ভ হোৱা নাট্যাভিনয়ৰ পৰম্পৰা আজিও অব্যাহত আছে। ইয়াৰ উপৰিও সংগীত চৰ্চাৰ পৰম্পৰাও এই গাঁওত অব্যাহত আছে। অসমৰ বিভিন্ন মঞ্চত কৌতুক অভিনয় কৰি সুনাম অৰ্জন কৰা এই গাঁওৰে ব্যক্তি হৰিশ বৰ্মনৰ নাম এইখিনিতে উল্লেখ কৰা সমীচিন হ'ব। সুকুমাৰ কলাৰ ভিতৰত চিত্ৰ ভাস্কৰ্য্য আৰু আবৃত্তিকলাৰ চৰ্চা কৰি থকা কেবাজনো শিল্পীয়ে যথেষ্ট খ্যাতি অৰ্জন কৰিবলৈ সক্ষম হৈছে।

ইয়াৰ উপৰিও জালাহকুছি গাঁওত অতি পুৰণিকালৰে পৰা আজিলৈকে নাট্যচৰ্চাৰ পৰম্পৰা অব্যাহত আছে। প্ৰথম অৰুন্ধাত ৰায়নৰ দলৰ যোগেদি এই পৰম্পৰা

ৰঞ্জিত হৈছিল। এই বায়নৰ দলৰ উপৰিও আন কিছু শিল্পীয়ে নলবাৰী জিলাৰ লগতে অসমৰ বিভিন্ন ঠাইত যাত্ৰা-পাৰ্টী আৰু ওজাপালি পৰিৱেশন কৰি ৰাইজৰ পৰা সমাদৰ লাভ কৰিছিল। সেইসকল ব্যক্তিৰ বহুকেইজনৰ মৃত্যু হৈছে যদিও কেইজনমান ব্যক্তি আজিও জীৱিত থাকি এই শ্বহীদ সংঘমঞ্চৰ নাট্যাভিনয়ৰ ক্ষেত্ৰত বিভিন্ন পৰামৰ্শ দি আছে। ইয়াৰ ফলতেই ১৯৮২ চনৰ পৰা এই মঞ্চত ১৭ খনকৈ নাট সুন্দৰ অভিনয়েৰে মঞ্চস্থ হৈ ৰাইজৰ বিপুল সমাদৰ লাভ কৰিছে। যিসকল ব্যক্তিৰ উৎসাহ-উদ্দীপনাই শ্বহীদ সংঘমঞ্চত নাট্যাভিনয়ৰ বাট মুকলি কৰিছিল, সেইসকলৰ ভিতৰত শ্ৰী অমূল্য তালুকদাৰ, শ্ৰী হৰকান্ত বৰ্মন, ঁঠৰণী বৰ্মন, ঁলেলপাৰাম বৰ্মন, ঁযোগেন্দ্ৰ বৰ্মন আদিৰ কথা উল্লেখ কৰিব পাৰি। ১৯৮০ চনত জাপাৰকুছি নামঘৰ প্ৰাংগনত লক্ষ্মী পূজা পাতিবলৈ এক ৰাজহুৱা সভাত সিদ্ধান্ত লোৱা হয় আৰু তাৰে আলম লৈয়ে ইয়াত লক্ষ্মীপূজাৰ জন্ম হোৱাৰ লগতে নাটক কৰিবলৈ আলোচনা

কৰা হয় যদিও অৰ্থৰ অভাৱত পূজা সমিতিয়ে নাটক মঞ্চস্থ কৰিবলৈ অনুমতি দিব নোৱাৰিলে। এনেকৈ প্ৰথম দুটা বছৰ অকল লক্ষ্মীপূজা হৈ থাকিল। তৃতীয় বছৰত কেইজনমান উৎসাহী ব্যক্তিৰ অশেষ চেষ্টাৰ ফলত এই নামঘৰ প্ৰাংগনত "মই ভিক্ষাৰী" নামৰ সামাজিক পূৰ্ণাংগ নাটখন মঞ্চস্থ হয়।

জাপাৰকুছি গাওঁখন শিক্ষাৰ ক্ষেত্ৰত কিছু উন্নত। জাপাৰকুছি গাওঁৰ মাজমজিয়াত কেইবাখনো শৈক্ষিক প্ৰতিষ্ঠান গঢ় লৈ উঠিছে। যেনে:- নলবাৰী মহাবিদ্যালয়, নলবাৰী বাণিজ্য মহাবিদ্যালয়, নলবাৰী অভ্যমন বিদ্যালয়, নলবাৰী বুনিয়াদী প্ৰশিক্ষণ কেন্দ্ৰ। ইয়াৰ উপৰিও জাপাৰকুছিত ধৰ্মীয় মঠ-মন্দিৰ থকাও দেখা যায়। যেনে:- জাপাৰকুছি শিৱাশ্ৰম, নলবাৰী শনি মন্দিৰ, জাপাৰকুছি বৰ নামঘৰ, লক্ষ্মী মন্দিৰ ইত্যাদি।

নলবাৰী জিলা হোৱাৰ পিছত নলবাৰী চহৰৰ সম্প্ৰসাৰণ আৰু জাপাৰকুছি গাওঁ তথা ইয়াৰ পাৰ্শ্ববৰ্তী এলেকাত কেবাটাও উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান গঢ় লৈ উঠাত জাপাৰকুছি গাওঁত বসতি কৰা লোকৰ সংখ্যা দিনকদিনে বাঢ়ি গৈ আছে। বৰ্তমানে গাওঁখনত এক মিশ্ৰিত আৰ্থ সামাজিক ব্যৱস্থাই গঢ় লৈ উঠিছে। লাহে লাহে কৃষি প্ৰধান গাওঁৰ পৰিচয় হেৰাই গৈছে।

হেৰাই গৈছে জাপাৰকুছিৰ নৈ, বিল, নলখাগৰি, বিচৈ বিচৈ থকা ফলমূলৰ গছ-গছনি। ঘৰে ঘৰে শোভা বৰ্ধন কৰা তামোলপানৰ বাৰী। প্ৰাকৃতিক পৰিৱেশত বাস কৰা জাপাৰকুছি গাওঁৰ মানুহৰ প্ৰকৃত মৰম-স্নেহৰ অনুভৱবোৰো কৃত্ৰিমভাৱে পৰিপূৰ্ণ হ'ল। যাত গাওঁৰ মানুহে সমীহ কৰা জাপাৰকুছি গাওঁৰ একতা, ভ্ৰাতৃত্বৰ মিলনিভালো আজি শিথিল হৈ পৰিল। আমাৰ বেদনা ইয়াতেই।

আজি বিজ্ঞানৰ অগ্ৰগতিয়ে পৃথিৱীখনক হাতৰ মুঠিতে চাব পৰা কৰিলে। পৃথিৱীখন এতিয়া এখন গাওঁ। মানৱ জাতিয়ে এতিয়া গ্লোবেল ভিলেজ ৰচনাৰ পথত আগবাঢ়িছে। এনে ক্ষেত্ৰত আমি গাওঁবাসীয়ে একতাৰ দোলেৰে বান্ধ খাই জাপাৰকুছি গাওঁৰ উন্নয়নত আগবাঢ়ি যাব পৰা নাই। জাপাৰকুছি গাওঁৰ ঐক্য সংহতিত আমি কিছু শংকিত হ'ব লগা হৈছে। গতিকে আমি আশা কৰো জাপাৰকুছি গাওঁত শতপুষ্প বিকশিত হ'ব আৰু আমি এখন সুন্দৰ ফুলনিৰ সৌন্দৰ্য্য উপভোগ কৰিবলৈ পাম।

## ১.৩ গাঁওখনৰ চাৰিসীমা, মাটিকালি

জাপাৰকুছি গাঁও নলবাৰী জিলাৰ, নলবাৰী মহকুমাৰ খাতা মৌজাৰ অন্তৰ্গত। নলবাৰী চহৰৰ উপকণ্ঠত দক্ষিণ দিশত অৱস্থিত এই গাঁওখন। পূব-নলবাৰী অঞ্চলৰ এখন বৃহৎ গাঁও হৈছে জাপাৰকুছি গাঁও। জাপাৰকুছি গাঁওৰ ভৌগোলিক চাৰিসীমা হ'ল- পূবে দিঘেলী গাঁও, পশ্চিমে মাজদিয়া গাঁও, উত্তৰে নলবাৰী চহৰ, দক্ষিণে ভেৰেচিয়া, ক্ষুদ্ৰ শংকৰা গাঁও।

জাপাৰকুছি গাঁওৰ মুঠ মাটিকালিৰ পৰিমাণ ১,১১২ বিঘা ২ কঠা ১১ লেচা বা ১৪৮.৮৩৯ হেক্টৰ। গাঁওখনৰ পৰিধি হ'ল পূবৰ পৰা পশ্চিমলৈ ২.০৮ কি.মি., উত্তৰৰ পৰা দক্ষিণলৈ ১.১৬ কি.মি.। দীঘলে বহলে ১.৪৯ বৰ্গ কি.মি.। মুঠ পট্টা নি: খে: ৬ খন আৰু খে: ম্যাদি ৩০২ খন; মুঠ দাগৰ সংখ্যা ১.১৬৯ টা।

১.৪

## গাঁওখনৰ জনসংখ্যা, জাতি, বৰ্ণ, ধৰ্ম

২০১১ চনৰ লোকপিয়ল অনুসৰি জাপাৰকুছি গাঁওৰ মুঠ জনসংখ্যা ৪৫৪৭ জন।

জাপাৰকুছি গাঁৱত মুখ্যতঃ হিন্দু ধৰ্মাৱলম্বী লোকৰ বসতি দেখা পোৱা যায়। যেয়েহে এই গাঁওখনত বিভিন্ন মঠ-মন্দিৰৰ অৱস্থিতি পৰিলক্ষিত হয়। তদুপৰি, এই গাঁওখনত অল্পলৈকেয়ে বঙালী সম্প্ৰদায়ৰ লোকেও বসবাস কৰি আছিছে। তেওঁলোকে অসমীয়া সংস্কৃতিক হাড়ে-হিমজুৱে গ্ৰহণ কৰি জাপাৰকুছি গাঁওখনক এখন ঐক্য-সম্প্ৰীতিৰে ভৰা গাঁওৰূপে চিহ্নিত কৰিছে। জাপাৰকুছি গাঁওখনত ব্ৰাহ্মণ, কায়স্থ, কৈৱৰ্ত, কলিতা আদি বৰ্ণৰ লোকসকলেও বসবাস কৰি আছিছে।

## ২.০ দ্বিতীয় অধ্যায়

### ১.১ লোক পৰিবেশ্য কলাৰ পৰিচয়, সংজ্ঞা, শ্ৰেণীবিভাগ :-

লোক-সংস্কৃতিৰ প্ৰধান বিভাগ ৪ টাৰ ভিতৰত লোকপৰিবেশ্য কলাৰ স্থান সুনিৰ্দিষ্ট। সাধাৰণতে লোকজীৱনৰ হৰ্ষ-বিষাদ, সুখ-দুখ আদি নানা অনুভূতিৰ বাচিক-আংগিক, সাত্ত্বিক আদি অভিব্যক্তিকেই লোক পৰিবেশ্য কলাৰূপে চিহ্নিত কৰিব পাৰি। লোক-সংগীত, লোক-নৃত্য আৰু লোকনাট্যই হ'ল লোক পৰিবেশ্য কলাৰ প্ৰধান উপজীব্য। ই লোকায়াত সমাজ জীৱনৰ সৃষ্টি। বহু যুগ ধৰি পৰম্পৰাগতভাৱে চলি অহা লোক পৰিবেশ্য কলাসমূহে লোকসমাজৰ স্বৰূপ, সৌন্দৰ্য, চেতনা, কলাত্মক অভিব্যক্তি জিলিকাই তোলে। লোক নৰ-নাৰীৰ আদিম বিশ্বাস, ধৰ্মীয় চিন্তা-চেতনাৰ সৈতে লোক পৰিবেশ্য কলা নিবিড়ভাৱে জড়িত। ই হ'ল মানৱ সভ্যতা আৰু সংস্কৃতিৰ সুপ্ৰাচীন অভিব্যক্তিৰ ৰূপৰেখা।

জাতীয় জীৱনৰ লগত জাতীয় পৰিবেশ্য কলা ৰীতিৰ সম্বন্ধ অতি গভীৰ। জাতি বিশেষৰ সাংস্কৃতিক চেতনা, শিল্পবোধ, আশা-আকাংক্ষা, সামাজিক জীৱন যাত্ৰা আদিৰ স্বতঃস্ফূৰ্ত প্ৰকাশ ঘটে, সেই জাতিটোৰ মাজত পৰম্পৰাগতভাৱে চলি অহা নৃত্য-গীত আৰু

নাট্যৰ সংযোগত। কোনো এটা জাতিৰ মানসিকতা তথা জীৱনযাত্ৰা সম্পৰ্কে সম্যক অৱগতিৰ বাবে সেই জাতিটোৰ মাজত প্ৰচলিত লোকপৰিবেশ্য কলাৰীতিৰ চিন্তা-চৰ্চা আৰু অধ্যয়ন অপৰিহাৰ্য্য। কেৱল অৱসৰ বিনোদনৰ বাবেই নহয়, জাতিৰ সাংস্কৃতিক জীৱনৰ উৎসৱ-অনুষ্ঠান, পূজা-পাৰ্বন আদি সকলোৰে লগত পৰিবেশ্য কলাৰীতি নিবিড়ভাৱে সংপৃক্ত।

লোক পৰিবেশ্যকলাৰ অন্তৰ্ভুক্ত নৃত্য আৰু গীতৰ সম্বন্ধ অংগাংগী আৰু এই দুয়োবিধ কলাৰ আধাৰত লোকনাট্যৰ জন্ম। আদিম সমাজৰ উৎসৱ অনুষ্ঠানত পৰিবেশিত নৃত্য-গীতৰ লগত নাটকীয় দানৰ মিশ্ৰণ ঘটাই লোকনাট্যই জন্ম লাভ কৰে। প্ৰকৃতাৰ্থত লোকনাট্য হ'ল কথোপকথন, অংগী-ভংগী আদি নাটকীয় উপাদানৰ লগত সংগীত আৰু নাট্যৰ সু-সমন্বয়ৰ ফল।

অতি প্ৰাচীনকালৰে পৰা লোকপৰিবেশ্য কলা ৰীতিৰ বৈশিষ্ট্য আৰু বৈচিত্ৰ্যই অসমৰ সাংস্কৃতিক পৰম্পৰাক বিশিষ্ট মৰ্যাদা প্ৰদান কৰি আহিছে। ওজাপালি, পুতলা নাচ, ঢুলীয়া ভাওনা, দেওধনী নৃত্য, কুশান গান, ভাৰী গান আদি অসমত প্ৰচলিত আৰু জনপ্ৰিয় লোক

পৰিৱেশ্য কলা। এইবোৰৰ কোনোটোত নাটকীয়, কোনো কোনোত নৃত্যৰ প্ৰাধান্য আৰু কোনো কোনোত সংগীতৰ প্ৰাধান্য পৰিদৃষ্ট হয়। পুতলা নাচ অথবা ওজাপালি অনুষ্ঠানত নাটকীয় উপাদানৰ প্ৰাচুৰ্য্য যেনেদৰে লক্ষ্য কৰিব পাৰি, দেওধনী অথবা দেৱদাসী নৃত্যত তেনেদৰে লক্ষ্য কৰিব পাৰি নৃত্যৰ প্ৰাচুৰ্য্য।

## ১.2 নলবাৰী অঞ্চলৰ লোকপৰিবেশ্য কলা :-

সমগ্ৰ অসমৰ লগতে নলবাৰী জিলাতো অতি প্ৰাচীনকালৰে পৰা লোকপৰিবেশ্যকলাসমূহ প্ৰচলিত হৈ আহিছে। এই পৰিবেশ্যকলাসমূহে আমাৰ বৃহত্তৰ অসমীয়া জাতিটোক এক সুকীয়া মৰ্যাদা প্ৰদান কৰা দেখা যায়। প্ৰধানতঃ নলবাৰীত প্ৰচলিত লোকপৰিবেশ্যকলাসমূহৰ ভিতৰত পুতলা নাচ, ওজাপালি, নাগাৰা নাম, দেওধনী নৃত্য, ঢুলীয়া আদি অন্যতম। তলত এইসমূহৰ বিষয়ে চমু আভাস দাঙি ধৰা হ'ল ->

(১) পুতলা নাচ :- অসমত পৰম্পৰাগতভাৱে চলি অহা লোক পৰিবেশ্যকলাসমূহৰ ভিতৰত পুতলা নাচ অন্যতম। পুতলা নাচ অনুষ্ঠানক পৃথিৱীৰ লোকনাট্যৰ আটাইতকৈ প্ৰাচীন ৰূপ বুলি কব পাৰি। প্ৰাণহীন পুতলাক মানুহৰ সুদক্ষ হাতে পৰিচালনা কৰি জীৱন্ত কৰি তোলে। প্ৰতিটো পুতলাই একো একোটা চৰিত্ৰৰ অভিনয়েৰে মানৱৰ দৰে আচৰণ কৰে। পুতলাই বাজীগৰৰ সুদক্ষ পৰিচালন কৌশলৰ বাবে এনে কাৰ্য্য সম্ভৱ হয়। আকৰ্ষনীয় পুতলাৰ জৰিয়তে কাহিনীক অৱলম্বন কৰি গীত আৰু অভিনয় নৃত্যৰে অভিনয় কৰা হয় বাবে অসমত এই অভিনয়ক পুতলা নাচ, পুতলা ভাওনা, পুতলা ভাওৰীয়া আৰু পুতলা থিয়েটাৰ আদি নামেৰে জনা যায়। পুতলা নাচৰ বা পুতলা ভাওনাৰ

পুতলাবোৰ সূত্ৰধাৰৰ সহায়ত গোটেই নাটখনত জীৱন্ত ৰূপত অভিনয় কৰি গৈ থাকে। পুতলা নাচত সূত্ৰধাৰ বুলি কলে সাধাৰণতে যিসকল ব্যক্তিয়ে ৰছী বা সূতা, লাঠি আদিৰ সহায়ত পুতলাবোৰ গতিশীল কৰি তোলে তেওঁকে বুজা যায়। কোনো কোনো গৱেষকে মানুহৰ শৰীৰক মুখাৰ লগতো তুলনা কৰি কৈছে — "The human body is like a mask, life wears it as it acts when death pulls down the final certain, life steps acting and discards the mask. Then it lies reveald."

বহু গৱেষকে কব খোজে যে, প্ৰকৃততে পুতলা নাচ হ'ল নাটকৰ অতি প্ৰাচীন গঠন। মানুহৰ নাটক কৰাৰ প্ৰৱণতা নিশ্চয় পুতলা অভিনয়ৰ দ্বাৰা প্ৰভাৱান্বিত হৈছিল। বুৰঞ্জীবিদ সকলৰ মতে, পুতলাৰ ইতিহাস মানৱ সভ্যতা সমানে পুৰণি। পৃথিৱীৰ বিভিন্ন দেশত থকাৰ দৰে অসমতো পুতলা নাচৰ বিশেষ পৰম্পৰা চলি অহাৰ কথাৰ সম্ভেদ পোৱা যায়। অসমত পুতলাভিনয়ৰ প্ৰৱৰ্তন হোৱাৰ সঠিক সময় নিৰ্ধাৰণ কৰিব নোৱাৰিলেও এই লোকনাট্য অনুষ্ঠানটোৰ প্ৰাচীনতাৰ বিষয়ে বহু তথ্য পোৱা গৈছে। কামৰূপত আনুমানিক একাদশ শতিকাত কালিকাপুৰাণত পুতলাভিনয়ৰ কথা উল্লেখ আছে। পুতলাক বুজাবৰ বাবে কালিকাপুৰাণত

"পাঞ্চালীকা" শব্দ ব্যৱহাৰ কৰাৰ লগতে "পাঞ্চালীকা বিহাৰ"ৰ জৰিয়তে পুতলা নাচৰ কথা বৰ্ণোৱা হৈছে।

খ্ৰীষ্টীয় একাদশমানত কামৰূপত কালিকাপুৰাণ ৰচনা হৈছিল বুলি অনুমান কৰা হয়। যিহেতু অসমত পুতলা নাচৰ প্ৰৱৰ্তন একাদশ শতিকাৰ আগত বুলি ভবাৰ থল আছে। বহু গৱেষক-লেখকে পুতলা নাচক ওজাপালিতকৈ আগৰ নাট্যানুষ্ঠান বুলি দাবী কৰিছে। তেওঁলোকে প্ৰকাশ কৰা মত অনুসৰি পুতলা নাচত কিছু পৰিৱৰ্তন ঘটাই ওজাপালিৰ সৃষ্টি কৰা হৈছে। পুতলা অভিনয়ৰ মূল ব্যক্তি সূত্ৰধাৰ বা পুতলা নাচোকৰক বুজোৱাৰ বাবে মধ্যযুগত "টোটকীয়া" বুলি কোৱা হৈছিল। তদুপৰি যাদুমন্ত্ৰত পাৰ্গতালি থকা লোকসকলক "টোটকীয়া" বোলা হৈছিল।

অসমৰ বিভিন্ন অঞ্চলৰ পুতলা সম্পৰ্কে খেল-ধেমালিৰ পুতলা, ধৰ্মসংক্ৰান্তীয় পুতলা, অভিনয় আৰু নৃত্যৰ পুতলা আদি শ্ৰেণীত বিভক্ত থকা দেখা যায়। খেল-ধেমালিৰ পুতলাৰ ভিতৰত বিভিন্ন ধৰণৰ কাপোৰ, প্লাষ্টিক আদিৰে প্ৰস্তুত কৰা মানুহ জীৱ জন্তু আদিৰ পুতলা আছে। ধৰ্মসংক্ৰান্তীয় পুতলাৰ অন্তৰ্গত বিভিন্ন ধৰণৰ দেৱ-দেৱী পুতলাসদৃশ মূৰ্তি আদি থকা দেখা

যায়। পুতলা নাচ আৰু পুতলা অভিনয় শ্ৰেণীৰ অন্তৰ্গত পুতলাত— আঙুলি পুতলা, হাত পুতলা, সূতা পুতলা, লাঠি পুতলা, ছাঁ পুতলা, জল পুতলা আৰু আধুনিক পুতলা আদি থকা দেখা পোৱা যায়।

(১) আঙুলি পুতলা :- ভাৰতৰ আন অঞ্চলৰ দৰেই অসমতো আঙুলি পুতলাৰ প্ৰচলন থকা দেখা যায়। সৰু আকৃতিৰ খোলোলা এই পুতলাবোৰ কোনোটোৰ হাত- ভৰি নাথাকে। আঙুলি সুমুৱাই এইবোৰৰ অভিনয় প্ৰদৰ্শন কৰা যায়।

(২) হাত পুতলা :- অসমৰ বিভিন্ন পুতলা নাচৰ দলত হাত পুতলাৰে অভিনয় কৰা দেখা পোৱা যায়। হাত পুতলাৰ প্ৰস্তুতি একেবাৰে সৰল। এনে পুতলা নচুওৱাজনে পুতলাটো হাতত লৈ অভিনয় প্ৰদৰ্শন কৰায়। এই পুতলাবোৰৰ ডিঙি আৰু বাহু খোলোলা কৰি সজা হয় যাতে, নচুওৱাজনৰ হাত আৰু আঙুলি পুতলাৰ ভিতৰেৰে সোমোৱাব পাৰে।

(৩) লাঠি পুতলা :- লাঠি পুতলাৰ ব্যৱহাৰ অসমৰ পুতলা নাচৰ দলত বেছিকৈ প্ৰচলন হোৱা দেখা নাযায়। এই পুতলাবোৰক লাঠিৰ সহায়ত মঞ্চৰ তলৰ পৰা নচুওৱা হয়। কাঠ বা বাঁহৰ লাঠিডাল পুতলাৰ তলত লুকাই

থাকে। হাতচলনত একেই ধৰণৰ দুডাল পাতল লাঠি লগোৱা
থাকে, যাৰ সহায়ত অভিনয় কৰাত সহায় হয়।

(৪) <u>সূতা পুতলা</u>:- অসমৰ বিভিন্ন অঞ্চলত থকা পুতলা
নাচৰ দলবোৰৰ মাজত সাধাৰণতে সূতা পুতলাৰ প্ৰচলন
বেছিকৈ হোৱা দেখা যায়। এইবিধ পুতলাক সূক্ষ্ম অথচ টান
সূতা বা তাঁৰ সহায়েৰে ওপৰৰ পৰা নচুৱাই পুতলা
বাজিকৰে মঞ্চৰ আঁৰত থাকি অভিনয় প্ৰদৰ্শন কৰাই থাকে

(৫) <u>ছাঁ পুতলা</u>:- পুতলা নাচৰ ইতিহাসত ছায়া পুতলা নাচক
আটাইতকৈ প্ৰাচীন অনুষ্ঠান বুলি ধৰা হয়। গৱেষক,
পণ্ডিতসকলে ছায়া পুতলাৰ পূৰ্বতে ধৰ্মীয় আচাৰ-অনুষ্ঠানৰ
লগতো জড়িত আছিল বুলি অনুমান কৰিছে। অসমতো
ছাঁ পুতলাৰ পৰম্পৰা বহু প্ৰাচীন বুলি গৱেষকসকলে
অনুমান কৰে।

(৬) <u>জল পুতলা</u>:- প্ৰাচীন অসমত জলপুতলা থকাৰ
সম্পৰ্কে বিভিন্ন তথ্যৰ পৰা পোৱা যায়। জল পুতলাৰ
বাবে পানীত এখন ভেলৰ ওপৰত মঞ্চ প্ৰস্তুত কৰি
পুতলাবোৰ সূতা নাইবা লাঠিৰে নচুৱাই অভিনয়
প্ৰদৰ্শন কৰা হয়।

(৭) <u>আধুনিক পুতলা</u>:- হাত পুতলা, সূতা পুতলা, ছাঁ
পুতলা আদি পৰম্পৰাগত পুতলাৰ দৰে আধুনিক

শ্ৰেণীৰ পুতলা সৃষ্টি হৈছিল। এই আধুনিক পুতলাৰ শ্ৰেণীটোৱে এটা মাত্ৰ শতকাক প্ৰতিনিধিত্ব নকৰে। অসমতো আধুনিক পুতলা নাচৰ এনেধৰণৰ দুই এটা দল থকা দেখিবলৈ পোৱা গৈছে। এই আধুনিক পুতলা নাচৰ দলসমূহত পুতলা বাজিকৰে পুতলাসমূহ বিভিন্নধৰণৰ কাপোৰ, কাগজ কপাহ, উল সূতা আদিৰে পুতলাসমূহ প্ৰস্তুত কৰি তাত বিভিন্ন ধৰণৰ চৰিত্ৰ উপযোগী সাজ-পোছাক পিন্ধাই অভিনয় প্ৰদৰ্শন কৰাৰ বাবে প্ৰস্তুত কৰি তোলে। পুতলাবোৰৰ উচ্চতা ৩ ফুটৰ মানৰ পৰা ৪/৫ ফুটমানলৈ হোৱা দেখা যায়।

অসমৰ পুতলা নাচ অনুষ্ঠানৰ কাহিনীৰ বিষয়বস্তু, ৰামায়ণ, মহাভাৰত আদিবোৰ হোৱাৰ লগতে বৰ্তমানকালত আধুনিক, সামাজিক কাহিনীৰ লগতে ব্যংগাত্মক বিষয়বো নাট ৰচনা কৰি প্ৰদৰ্শন কৰা হয়।

(২) নাগাৰা নাম:- নাগাৰা নাম হ'ল "নাগাৰা" বা "নেগেৰা" বাদ্যক মূল বাদ্য হিচাপে লৈ পৰিবেশন কৰা এক লোক পৰিবেশ্য কলা। অসমৰ ধৰ্মীয় সমাজত প্ৰচলিত বিভিন্ন নাম যেনে- খিয় নাম, দিহা নাম, ঝুনা নাম, ধহা নাম আদিৰ দৰে নাগাৰা নামো এক আধ্যাত্মিক ভাৱাপন্ন

নাম নামনি অসমৰ নলবাৰী, দৰং আদি ঠাইত এই নামৰ প্ৰচলন আছে। নাগাৰা নামত ব্যৱহৃত গীত-পদ আৰু সংলাপ নামনিৰ কথিত ভাষাত ৰচিত হোৱা বাবে ই উজনি অসমত বহুল প্ৰচলিত নহয়।

নাগাৰা নামৰ পদসমূহৰ একোটা কাহিনী থাকে। হাস্যৰস, বীৰৰস, কৰুণৰস আৰু ভক্তিৰসকে আদি কৰি নৱৰসৰ সমাহাৰ হোৱা এই কাহিনীবোৰ ৰামায়ণ, মহাভাৰত, পুৰাণ আৰু ভাগৱতৰ পৰা লোৱাৰ উপৰি যিকোনো ধৰ্মীয় শাস্ত্ৰৰ পৰা লৈ পাঠকে ৰচনা কৰাৰ উপৰি সমাজৰ সাম্প্ৰতিক ঘটনাৰাজিৰ বিষয়েও পদ ৰচনা কৰি লোৱা দেখা যায়। নাগাৰা নামৰ কাহিনী বা আখ্যান সমূহৰ পৰা দৰ্শকে বিভিন্ন বিষয়ৰ শিক্ষা লাভ কৰিব পাৰে। অহংকাৰৰ পতন, ধৰ্মৰ জয় অধৰ্মৰ পৰাজয়, সৎকৰ্মৰ সুফল অসৎ কৰ্মৰ কুফল আদি শিকনি পোৱা যায়। কাৰণ, নাগাৰা নামৰ প্ৰতিটো কাহিনীত আদৰ্শমূলক কথা থাকে।

সাধাৰণতে নাগাৰা নাম পৰিৱেশন কৰোঁতে এটা বা এযোৰ বৰ নাগাৰা বজায়। ডাঙৰ নাগাৰাটোক ধুমধুমী বোলা হয় আৰু সৰুটোক কুৰকুৰী বোলে। পালিসকলৰ কেইজনমানে সৰু তাল বজাই আৰু

বাকী পালিসকলে অৰ্ধ বৃত্তাকাৰে বহি হাতেৰে চাপৰি বাই ঘোষা
দোহাৰে। নামৰ আৰম্ভণিতে খৰগতিত নাগাৰা, তাল আৰু
চাপৰি
বজাই আৰম্ভ কৰে, ইয়াক জাগৰণ বোলে। ইয়াৰ পিছত
ভগৱানক উদ্দেশ্যি স্তুতিগীত গোৱা হয়। তাৰ পিছত
মূল পাঠকজনে মাজত থিয় দি "শুনা শুনা সভাসদ
কৰো নমস্কাৰ" বুলি কাহিনী আৰম্ভ কৰিব লয় আৰু
লগে লগে ঘোষা পদ সুৰ লগাই বিভিন্ন ৰস অভিনয়ৰ
মাজেদি ফুটাই তুলি কাহিনী আগবঢ়াই নিয়ে। কাহিনীৰ
লগতে সংগতি ৰাখি বিভিন্ন ৰস পাঠকজনে অভিনয়ৰ
যোগেৰে প্ৰকাশ কৰে আৰু পালিসকলে সেইমতে
হালি-জালি নাচ গাই তেওঁক অনুসৰণ কৰে। শেষত,
আকৌ খৰগতিত তাল, নাগাৰা, চাপৰিৰে নামৰ সামৰণি
মেলোৱা হয়।

নাগাৰা নাম পৰিবেশন কৰোঁতে চুৰীয়া, পাঞ্জাবী
পিন্ধি ডিঙিত গামোচা লোৱা নিয়ম। পাঠকজনে
ওপৰঞ্চি চেলেং চাদৰ লয়। ছোৱালী বা মহিলা পাঠিকা
সকলে চাদৰ মেখেলা পিন্ধি ডিঙিত গামোচা লয়।

(৩) <u>দেওধনী</u>:— অসমৰ আন এবিধ লোকনৃত্য
হ'ল দেওধনী নৃত্য। মহেশ্বৰ নেওগৰ মতে দেওধনী

শব্দটোৰ উৎপত্তি হৈছে "দেৱ" আৰু "ধনী" শব্দ দুটাৰ
পৰা যাৰ অৰ্থ ক্ৰমে ভগৱান আৰু নাৰী আনহাতে
সংস্কৃতত ভগৱান বুজোৱা দেৱ আৰু শব্দ বুজোৱা ধ্বনিৰ
পৰাও দেওধনীৰ উৎপত্তি হৈছে বুলি বহুতে মতপোষণ
কৰে। সঠিকে, ক'বলৈ গ'লে দেওধনীৰ অৰ্থ হ'ব ভগৱান
বা দেৱতাৰ শব্দ বা কথা। এটা কিংবদন্তিমূলক
সাধুত মতে মনসা আছিল সাপৰ দেবী। চান্দ সদাগৰে
আন দেৱতাক দিয়াৰ দৰে মনসাক অঞ্জলি দিবলৈ অমান্তি
হোৱাত মনসাই নিজে সৰ্পৰূপ ধাৰণ কৰি চান্দ সদাগৰৰ
ছটা পুত্ৰক দংশন কৰি প্ৰাণ লয়। সপ্তম পুত্ৰ লক্ষীন্দৰৰ
বেউলা নামৰ কন্যাৰ লগত বিবাহ হয়। বিবাহৰ দিনা
সৰ্পদেৱীয়ে লক্ষীন্দৰক খুটি প্ৰাণ লয়। স্বৰ্গত তেওঁ নিজৰ
নৃত্যৰে দেৱতাসকলক মুগ্ধ কৰে আৰু দেৱতাসকলে
লক্ষীন্দৰক পুনৰ জীয়াই তোলে। এই কাহিনীৰ দৰেই
মনসাদেৱীক সন্তুষ্ট কৰিবলৈ মনসা পূজাৰ সময়ত "দেওধনী
নৃত্য" প্ৰদৰ্শন কৰা হয়।

দেওধনীসকল সমাজত দেৱতাৰ সেৱাৰ কাৰণে
উৎসৰ্গিত হোৱালী। তেওঁলোকে কেতিয়াও বিবাহপাশত
আবদ্ধ হ'ব নোৱাৰে। নৃত্যৰ সময়ত দেওধনীয়ে বুকুত
ফুলাম মেখেলা, তাৰ ওপৰত এখন ফুলাম বস্ত্ৰ

মেখিয়াই লয় আৰু কঁকালত ৰঙীন উৰালীৰে টানি বান্ধি দিয়ে। উৰালীখনৰ ফুলাম আগ দুটা আগফালে ওলোমাই লয়। দেওধনীসকলে পটীয়াখাৰু, বিভিন্ন মাদুলি, জোনবিৰি গলত গলপতা, কাণত কেৰু, নাকত নাকফুল আৰু ৰেৰিত চোলেই পিন্ধে। দেওধনীসকলে নৃত্যৰ সময়ত আগলি কলপাত এখন চকুমুদি বহে। এজন পালিয়ে গাত বগা চেলেং এখন মেখিয়াই দিয়ে। ওজাপালিয়ে দেৱতাৰ স্তুতিগীত আৰম্ভ কৰে। গীতৰ লগে লগে দেওধনীয়ে মূৰটো ঘূৰাই থিয় হ'বলৈ আৰম্ভ কৰে। পালিয়ে গাৰ বগা চাদৰখন আঁতৰাই দিয়াৰ পিছত দেওধনীয়ে লগে লগে নৃত্যৰ ভংগীৰে থিয় হয়। মৃদু নৃত্য আৰম্ভ কৰাৰ লগে লগে মূৰৰ খোপা খুলি দেওধনী মুকলিকেশী হয়। ওজাই গীতত পাৰ ফুলন, মিৰা ফুলন আদিৰ কথা কয় আৰু দেওধনীয়ে সেই ফুলনবোৰৰ অভিনয় প্ৰদৰ্শিত কৰে। ওজাৰ গীতৰ লগত নচা মৃদু নৃত্যৰ শেষৰফালে জয়ঢোলত কোব পৰে আৰু দেওধনীয়ে ঢোলৰ চেৱত নাচিবলৈ ধৰে। ঢোলৰ চেওঁ বাঢ়ি যোৱাৰ লগে লগে দেওধনীয়ে মুকলি চুলি কোচা ঘূৰাই ঘূৰাই নাচে ক্ৰমাৎ নৃত্যৰ লয় বাঢ়ি যোৱাত

নৃত্য আন্তৰীয় হয়। অতি দ্ৰুতগতিত ঢুলিকোচা ঘূৰোৱাৰ পিছত নৃত্যৰ সামৰণি পৰে। ওজাপালিয়ে মনসা কাব্যত থকা লখিন্দৰক কালিনাগে দংশন কৰা আখ্যান গোৱাৰ লগে লগে দেওধনি সভাৰ মাজত শুই পৰে। পালিসকলে দেওধনীসকলক বগা কাপোৰেৰে ঢাকি দিয়ে। ইয়াক দেওধনী দকত পৰা বুলি কয়। ওজাই যেতিয়া লখিন্দৰক জীয়াই দিয়াৰ আখ্যান গায় তেতিয়া দেওধনী উঠি বহে আৰু নৃত্যৰ অন্ত পৰে। তাৰ পিছত দেওধনী সকলে কাষ চপা মানুহসকলৰ ভৱিষ্যত বাণী কৰে।

(৪) ঢুলীয়া:- এইবিধ মূলত: কামৰূপ আৰু দৰঙৰ লোকনাট্য অনুষ্ঠান। কামৰূপীয়া ঢুলীয়াৰ গীত-মাত, নৃত্য-ভংগীমা, ব্যংগ অভিনয়, নানাবিধৰ চাৰ্কাছ, খেল-ধেমালি, বন্দনা-বচন প্ৰভৃতিবোৰ স্বকীয় বৈশিষ্ট্য ৰক্ষিত হৈছিল।

উজনিত ঢুলীয়া ওজাই বিয়া-বাৰু, সভা-সমিতিত ঢুলীয়া ওজাহাত প্ৰদৰ্শন কৰে। দৰঙৰ কিছু ঠাইত আজিও এই লোকনাট্য প্ৰচলিত হৈ আছে।

ঢুলীয়া ভাওনাত খলুৱা কাহিনী এটা লৈ লোকগীতৰ সুৰেৰে নাট্যৰূপ দিয়ে। ঢুলীয়া দলৰ ক্ৰিয়াকলাপ আৰু নাচ-গানে এবিধ লোকনাট্যক উপভোগ্য কৰি তোলে।

ঢুলীয়া দলে প্ৰায় ৫-৬টা সৰু-ডাঙৰ ঢোল ব্যৱহাৰ কৰে। ঢোলৰ লগত তাল/তাল বাদ্যয়ো থাকে। ঢুলীয়াসকলৰ সাজ-পাৰ সাধাৰণ যদিও অঞ্চলভেদে ৰঙীন সাজ-পাৰেহে পিন্ধে, মূৰত পাগ মাৰে আৰু ৰঙিত জুনুকা পিন্ধে।

## ৩.০
## তৃতীয় অধ্যায়
### ৩.১ নিজ অঞ্চল বা ঠাইর লোকপৰিবেশ্যকলাৰ পৰিচয়:-

লোক পৰিবেশ্য কলা লোক সংস্কৃতিৰ এটা অন্যতম অংশ। অতীতৰ পৰা লোক পৰিবেশ্য কলাসমূহে আমাৰ বিশেষকৈ গ্ৰাম্যসমাজত বিশেষ সমাদৰ লাভ কৰি আহিছে। লোকসংস্কৃতিয়ে মানুহৰ বিভিন্নতাৰ মাজতো ঐক্যৰ প্ৰতিফলন ঘটায় আৰু পাৰস্পৰিক সহানুভূতিশীলতাৰ পৰিচয় দাঙি ধৰে। লোক পৰিবেশ্য কলা লোক সমাজৰ দ্বাৰা সৃষ্ট পৰিবেশন নীতিৰ সহায়ত প্ৰচলিত হৈ থাকে। ইয়াৰ পৰিবেশনৰ বাবে কোনো নিৰ্দিষ্ট ব্যাকৰণ সিদ্ধ নিয়ম নাথাকে। অৱশ্যে লোক সমৰ্থিত নিৰ্ধাৰিত হৈ থকা আৰু মৌখিকতাৰ মাজেৰে আৰোপিত হোৱা কেতবোৰ স্বাভাৱিক নীতিৰ সহায়ত এই কলাসমূহ পুৰুষানুক্ৰমে চলি থাকে। পৃথিৱীৰ অন্যান্য সমাজৰ লগতে অসমতো অতি প্ৰাচীনকালৰে পৰা লোকপৰিবেশ্য কলা প্ৰচলিত হৈ আহিছে। লোকপৰিবেশ্য কলা ৰীতিৰ বৈচিত্ৰ্য আৰু বৈচিত্ৰ্যই অসমৰ সাংস্কৃতিক পৰম্পৰাক বিশিষ্ট মৰ্যাদা প্ৰদান কৰি আহিছে।

যিহেতু অসমীয়া সংস্কৃতি বৰ্ণাঢ্য সংস্কৃতি, যিয়ে প্ৰকৃতিৰ কোলাত অতীজৰে পৰা জীপাল হৈ থকা গ্ৰামাঞ্চলৰ পৰম্পৰাগত সংস্কৃতিয়ে অসমৰ সাংস্কৃতিক বাৰেৰহনীয়া ৰূপ প্ৰদান কৰিছে। বৈচিত্ৰ্যপূৰ্ণ সাংস্কৃতিক জীৱনৰ লীলা ভূমি নলবাৰী জিলাৰ এক অন্যতম ঠাই

হৈছে ৪ নং খাতা মৌজাৰ অন্তৰ্গত জাপাৰকুছি গাঁও। এই গাঁওখন সুপ্ৰাচীন জনবহুল গাঁও। অতি প্ৰাচীনকালৰে পৰা এই গাঁওখনৰ সাংস্কৃতিক জীৱন সুসমৃদ্ধ নহ'লেও একেবাৰে নিষ্প্ৰভো নাছিল। অসমৰ গাঁওসমূহৰ নিচিনাকৈ জাপাৰকুছি গাঁওৰ মানুহেও পৰম্পৰাগত সংস্কৃতিৰ মাধ্যমেৰে জীৱন যাপন কৰি আহি বৰ্তমানৰ ৰূপ লাভ কৰিছে।

এই গাঁওখনতো লোকপৰিবেশ্যকলাৰ অন্তৰ্গত কিছু অনুষ্ঠান অতীজৰে পৰা পৰম্পৰাগতভাৱে চলি আহিছে। সেইসমূহৰ ভিতৰত— (i) বায়নৰ দল।

(ii) ভাৱৰীয়াৰ দল।

(iii) বিয়া নাম বা দিহা নাম।

(iv) নাগাৰা নাম আৰু

(v) আয়তীৰ নাম।

(i) <u>বায়নৰ দল</u>:- চলিত শতিকাৰ প্ৰথম দশকৰ আৰম্ভণিতে এই অঞ্চলৰ গাঁওসমূহক ঐক্যবদ্ধ কৰি বায়নৰ দলৰ যোগেদি এই গাঁওৰ শিল্পীয়ে মানুহৰ মনত ঈশ্বৰ ভক্তি আৰু মুক্তিৰ স্পৃহা জাগ্ৰত কৰি তুলিছিল। একোটা দলত ২০/২৫ জনকৈ সদস্য থকা বায়নৰ দলৰ খোল আৰু ভোৰতালেই আছিল প্ৰধান বাদ্য। সৰস্বতী বন্দনাৰে বায়নৰ দলে নাট পৰিবেশন কৰিছিল। নাটৰ আৰম্ভণিত এই বন্দনাক "ধুৰা" গোসা বুলি কোৱা হৈছিল। "ধুৰাৰ

পিছত সূচনা, ইয়াৰ পিছত বৰকাকাৰে তাল, খোলৰ জৰিয়তে গীত-পদ গাই উপস্থিত দৰ্শকক অভিনয় সম্পৰ্কে অৱগত কৰিছিল। নৃত্যশিল্পীসকলক "চকৰা" বোলা হৈছিল। বায়নৰ দলত মহিলাৰ স্থান নাছিল। জোৰা ৰৱাই, জোৰা ৰবি চৌদিশ পোহৰাই তুলিছিল। ভাওৰীয়া দুজনে খুহুটীয়া কথাৰে হাঁহিৰ খোৰাক যোগাইছিল। অভিনেতাসকলে সন্মুখৰ পিনে দুটা আঁহতৰ পাত সন্নিবিষ্ট কলা পোছাক পৰিধান কৰিছিল। ভৰিত আছিল "ঘুঙুৰা" আৰু "খাৰু"। ইয়াৰ উপৰিও শিল্পীসকলে মেটেকাৰ চুলি, গোফ ব্যৱহাৰ কৰিছিল। বিভিন্ন ৰাজহুৱা আৰু ব্যক্তিগত উৎসৱ-পাৰ্বণ উপলক্ষে বায়নৰ দলে এই গাওঁৰ লগতে বিভিন্ন ঠাইত অনুষ্ঠান পৰিবেশন কৰিছিল। ৫০ ৰ দশকত একোটা নিশা অনুষ্ঠান পৰিবেশনৰ বাবে ৩.২৫ টকা। এই দলৰ শিল্পীসকলে পাৰিশ্ৰমিক হিচাপে লৈছিল। এই বায়নৰ দলৰ প্ৰতিষ্ঠাতা ৺শিৱৰাম বৰ্মন। তেওঁৰ দলৰ অন্য শিল্পীসকল আছিল ৺উদয় বৰ্মন (বৰকাকাৰ) ৺ভূগুৰাম বৰ্মন, ৺মন্টুৰা বৰ্মন (বি পৰা চুলি থকা বাবে বাৰ্তি) বোলা হৈছিল। ৺কানুৰাম বৰ্মন (ভাওৰীয়া), ৺যদুৰাম বৰ্মন (ভাৱৰীয়া) ইত্যাদি।

এই দলটোৰ পিছত গঠিত হোৱা বায়নৰ দলৰ শিল্পীসকলৰ ভিতৰত ৺নন্দীৰাম বৰ্মন (বায়ন), ৺কমল

বৰ্মন, ৺চলোৰাম বৰ্মন, গজেন্দ্ৰ বৰ্মন, উপেন বৰ্মন, ৺ভোগেৰাম বৰ্মন, ৺লেলপাৰাম বৰ্মন (ভাওনীয়া), ৺হৰিচৰণ পাঠক (জেৰা ধৰা), অমূল্য তালুকদাৰ (চকুৱা), ৺উদ্ধৱ পাঠক আদিৰ নাম উল্লেখযোগ্য। প্ৰথমতে বায়নৰ দলে প্ৰথমবাৰ নাট পৰিবেশন কৰিছিল পুৰণবাৰী গোসাঁৰ বকুল তলত। এই বকুল তলতেই দু:শাসনৰ ৰক্তপান, দ্ৰৌপদীৰ বস্ত্ৰহৰণ আদি নাট পৰিৱেশিত হৈছিল। ৺মঙ্গল বৰ্মনে ৩/৪ টা খোল একেলগে বজাইছিল।

(ii) <u>ভাৰবীয়াৰ দল</u> :- বায়নৰ দলৰ পিছতেই জাপাৰকুছিৰ সাংস্কৃতিক পৰম্পৰাৰ গৌৰৱী স্মৃতিটোক চলমান কৰি ৰখা এটা সাংস্কৃতিক দল হৈছে ভাৰবীয়াৰ দল। খুহুটীয়া কথা-বতৰা আৰু অংগ চালনাৰে এই ভাৰবীয়া দলে জনমানসক আনন্দ প্ৰকাশ কৰিছিল। এই ভাৰবীয়া দলৰ হাস্যৰসক প্ৰধান অৱলম্বন আছিল সংলাপ। অংগী-ভংগী ব্যৱহাৰ কৰিলেও ভাৰবীয়া সকলে প্ৰধানকৈ ৰসাল কথাৰ জৰিয়তে হাঁহিৰ উদ্ৰেগ কৰিছিল। এই দলৰ শিল্পীসকলে উপস্থিত বুদ্ধিৰে তৎকালীনভাৱে প্ৰস্তুত কৰা সংলাপসমূহ অতি আকৰ্ষনীয় আৰু আমোদজনক আছিল। এই ভাৰবীয়া দলে পুৰাণ, মহাভাৰত, ৰামায়ন আদিৰ বিভিন্ন আখ্যান ৰসপূৰ্ণ কথাৰে উপস্থাপন কৰিছিল। ৺কানুৰাম বৰ্মন, ৺চন্দ্ৰ বৰ্মন,

লম্বোদাম বৰ্মন, ভৱান বৰ্মন আদি জাপাৰকুছি ভাৱৰীয়া দলৰ ভাৱৰীয়া আছিল ।

iii) বিৰ নাম বা দিহা নাম:- মহাপুৰুষ শংকৰদেৱৰ একশৰণ বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ উদ্দেশ্য গঢ় লৈ উঠা সাংস্কৃতিক অনুষ্ঠান-সমূহৰ ভিতৰত "নাম" অন্যতম । অসমৰ গাঁৱে-ভূঞে "জাতীয় সাংস্কৃতিৰ যাদুঘৰ নামঘৰ" স্থাপন হোৱাৰ লগে লগে "ধৰ্মত উত্তম নাম"ৰ প্ৰচলন ক্ৰমান্বয়ে বাঢ়িবলৈ ধৰে । নলবাৰী জিলাৰ অন্যান্য অঞ্চলৰ দৰে জাপাৰকুছি গাঁৱতো "নাম"ৰ প্ৰচলন তদানীন্তন কালৰে পৰা অনুভূত হয় । জাপাৰকুছিত পূৰ্বৰে পৰা প্ৰচলিত নামক বিৰ নাম বা দিহা নাম বোলা হৈছিল । এই নামত বাদ্যবাৰ ব্যৱহাৰ নাই । তালৰ ব্যৱহাৰহে আছে । প্ৰাৰ্থনাৰে নাম আৰম্ভ হয় । তাৰ পিছত কীৰ্ত্তন । কীৰ্ত্তনৰ পিছত ঘোষা গোৱা হয় । বাহুল্যবৰ্জিত এই নামত মহাপুৰুষীয়া পৰম্পৰা ৰক্ষিত হোৱা দেখা যায় । এই বিৰনামৰ জাপাৰকুছিৰ পাঠক সকল হ'ল- ৺চকাৰাম পাঠক, ৺সৰ্বৰাম পাঠক, ৺সিন্ধু নাথ দত্ত মজুমদাৰ, ৺হৰিচৰণ পাঠক, ৺তিথাৰাম পাঠক, প্ৰফুল্ল পাঠক, ৺কানুৰাম বৰ্মন, হৰি বৰ্মন, ৺ইন্দ্ৰ বৰ্মন ইত্যাদি ।

(iv) নাগাৰা নাম :- বিহু বা দিহা নামৰ পিছতেই জাপাৰকুছিৰ বুকুত সৰু লৈ উঠা সাংস্কৃতিক অনুষ্ঠান বুলিলে নাগাৰা নামৰ দলৰ কথাকে উল্লেখ কৰিব লাগিব। এই ঠাইৰ বৃদ্ধ গজেন্দ্ৰ বৰ্মন আছিল জাপাৰকুছি নাগাৰা নাম দলৰ প্ৰথমগৰাকী পাঠক। তেখেতৰ পাছৰ পাঠকসকল হৈছে- ৺সৰ্বেশ্বৰ পাঠক, হৰকান্ত বৰ্মন, কৃষ্ণ বৰ্মন, কৈলাশ বৰ্মন, হৰি বৰ্মন আদি। সম্প্ৰতি আধুনিকতাৰ পৰশত নাগাৰা নামৰ ক্ষেত্ৰত পৰিৱৰ্তন আৰু পৰিবৰ্দ্ধন ঘটিছে। নাগাৰা নামৰ জনপ্ৰিয়তাও ক্ৰমাগতভাৱে বৃদ্ধি পাবলৈ ধৰিছে। গ্ৰাম্যবোৰ পুৰণিকলীয়া কৃষ্টিয়ে নগৰমুখী যাত্ৰা কৰাৰ সময়তো নাগাৰা নামৰ বহুল প্ৰচলন আমাৰ বাবে সঁচাকৈয়ে অতি সুখৰ কথা। ১৯৭৪ চনত জন্ম লোৱা জাপাৰকুছি "আঞ্চলিক নাগাৰা নাম" দলটোৱে সমগ্ৰ জিলাখনৰ লগতে অসমৰ বিভিন্ন ঠাইত নাম পৰিবেশন কৰি খ্যাতি অৰ্জন কৰি এই দলৰ বৰ্তমানৰ পাঠক গীতিশ বৰ্মনৰ পৰিচালনাত ২ খনকৈ নাগাৰা নামৰ শ্ৰাব্য কেছেট উলিয়াইছে। এই দলটোৱে আৰ্জিত ধনেৰে গাঁৱৰ মূল নামঘৰ ৪ টাত এখনকৈ পতাই দান কৰাৰ লগতে প্ৰবীণ মুক্তি যোদ্ধা, সমাজকৰ্মী ৺হৰিচৰণ পাঠকৰ জন্ম উৎসৱত ১৯৯২

চলত মহা সমাৰোহেৰে পালন কৰি এক আদৰ্শ দাঙি ধৰিছে। এজন ঢোল তাল বাদকজনে নানান নামৰ দলসমূহৰ মাজত বিশেষ পৰিচয় থকা মহেশ্বৰ বৰ্মনে আৰম্ভনিৰে পৰা এতিয়ালৈকে এই দলৰ ঢুলি হৈ আহিছে। এইখিনিতে উল্লেখ কৰিব পাৰি যে এই গাঁৱত কেইবাটাও সংকীৰ্ত্তন পাৰ্টিয়ো গঢ় লৈ উঠিছে।

(iv) আয়তীৰ নাম:- সম্ভৱতঃ অসমৰ প্ৰতিখন গাঁৱতে আয়তীৰ নামৰ প্ৰচলন এতিয়াও আছে। যাইকে ৰামায়ণ, মহাভাৰত, কীৰ্ত্তন, দশম, ৰুক্মিণীহৰণ আদিৰ আধাৰত আমাৰ আয়তীসকলে নাম গায়। সাম্প্ৰতিক আধুনিকতাৰ পৰশো নপৰাকৈ থকা নাই। আয়তীসকলৰ জাত জাত নামৰ এক সুকীয়া লয় আছে। আয়তী নামদলৰ পাঠিকাগৰাকীক "ওজানি" বুলি কোৱা হয়। প্ৰাপ্ত তথ্যমতে জাপাৰকুচি গাঁৱৰ আয়তীসকলৰ ওজানিসকল হৈছে - ৺হৰিণ বৰ্মন, ৺হংসপ্ৰিয়া দত্ত, ৰবিবালা দত্ত, কিৰণবালা বৰ্মন, সুভদ্ৰা দাস, গঙ্গা বৰ্মন, অনিমা দেৱী আদি। চৰালপাৰা চুবাৰ সুভদ্ৰা দাসে এই অঞ্চলৰ লগতে অসমৰ বিভিন্ন ঠাইত কৰতাল বজাই থিয় নাম পৰিৱেশন কৰিছিল।

এই সাংস্কৃতিক অনুষ্ঠানসমূহৰ লগতে আন ঠাইত গঢ়ি উঠা যাত্ৰা পাৰ্টি, ওজাপালি, বেণ্ডপাৰ্টি আদি সাংস্কৃতিক অনুষ্ঠানৰ সৈতে জড়িত শিল্পীয়ো এই গাঁৱত আছিল, আজিও আছে। এই গাঁৱৰ বয়োজ্যেষ্ঠ ব্যক্তি অমূল্য তালুকদাৰ আৰু কবিনাম বৰ্মন যাত্ৰাদলৰ সৈতে জড়িত শিল্পী।

কবিরাম বর্মন দীর্ঘদিন ধরি ওজাপালি আরু বেণ্ডপার্টী অনুষ্ঠানৰ লগতেও জড়িত আছিল। এই শিল্পীসকলৰ বড়ো গীত পৰিবেশনতো হস্ত আছিল। নলবাৰী মহাবিদ্যালয়ৰ সোণালী জয়ন্তী উৎসৱৰ স্মৃতিগ্ৰন্থৰ এক প্ৰবন্ধত হৰেন্দ্ৰ নাথ শৰ্মাই জাপাৰকুছিত আপী ওজাৰ দল (ছোৱালীয়ে পৰিবেশন কৰা ওজাপালি অনুষ্ঠান) থকা বুলিও উল্লেখ কৰিছে। কিন্তু নানা প্ৰকাৰে অনুসন্ধান কৰিও এই সম্পৰ্কীয় কোনো তথ্য পোৱা নগ'ল।

এইসমূহৰ উপৰিও জাপাৰকুছিত পৰম্পৰাগতভাৱে বিভিন্ন উৎসৱ-অনুষ্ঠান চলি আহিছে। এইসমূহৰ ভিতৰত ভেটেলি, শিৱৰাত্ৰী, লক্ষ্মীপূজা, শনিপূজা, গড়খীয়া মেলা আৰু সভা আদি অন্যতম। ভকত মেলা আৰু গৰখীয়া মেলা হৈলে ১৯৪৮ আৰু ১৯৪৯ চনত প্ৰথম প্ৰচলিত হৈছিল। গৰখীয়া মেলাত গৰু-পাহুৰ মালিকে গৰখীয়াসকলক নিমন্ত্ৰণ কৰি আনি আদৰ আপ্যায়ন কৰাৰ অন্তত ৰাতি হৰি কীৰ্ত্তন কৰি উৎসৱৰ সামৰণি কৰা হয়। জাপাৰকুছি গাঁৱৰ পুৰণিকলীয়া নামঘৰ প্ৰাংগনত ১৯৫৫ চনৰ পৰা বছৰি মাঘ বা ফাগুন মাহত "জাপাৰকুছি সভা" নামৰ উৎসৱ পালন কৰা হৈছিল। এই সভাত বিভিন্ন

যাত্ৰাদলৰ নাট অভিনীত হৈছিল। প্ৰতিবছৰে বহাগ মাহৰ শেষৰ দিনটোত জোলাবকুছি শিৱাশ্ৰমত সমহীয়াভাৱে ভেটেলি উৎসৱ অনুষ্ঠিত কৰা হয়। এই ভেটেলি অনুষ্ঠানৰ দিনটোত বিভিন্ন খেল-ধেমালিৰ অনুষ্ঠানৰ আয়োজন কৰা হয় ফলত ভেটেলি উৎসৱৰ দিনটোত বিভিন্ন লোকৰ সমাৱেশ ঘটা দেখা যায়। তদুপৰি, জোলাবকুছি শিৱাশ্ৰমত প্ৰতিবছৰে শিৱৰাত্ৰী পূজাও অনুষ্ঠিত কৰা হয়। সেই পূজাত কেৱল জোলাবকুছি অঞ্চলৰ লোকেই নহয়, নলবাৰীৰ বিভিন্ন অঞ্চলৰ পৰা ভক্তসকল আহি পূজাস্থলীত ভিৰ কৰেহি।
নলবাৰী বাণিজ্য মহাবিদ্যালয়ৰ ওচৰতে এটা শনি মন্দিৰ থকা দেখিবলৈ পাওঁ। এই শনি মন্দিৰটো প্ৰতিবছৰে শনিপূজা জাকজমকভাৱে অনুষ্ঠিত হৈ আহিছে। ফলত ভক্তসকলৰে সেইতে পূজাস্থলী লোকে লোকাৰণ্য হৈ পৰে।

২.২

## ২.২ সাওঁতালৰ গীত-মাত-নৃত্যকলাৰ পৰিচয় :-

জাপাৰকুছি সাওঁতালত বিভিন্ন উৎসৱ-অনুষ্ঠানত গীত-মাত আদিৰ প্ৰচলন দেখা পোৱা যায়। বিয়া-সবাহ আদিতো বিভিন্ন গীত গোৱা পৰিলক্ষিত হয়। এই গীত-মাতসমূহ বিভিন্ন ধৰণৰ →

(i) বিহুগীত :- অনুষ্ঠানমূলক লোকগীতসমূহৰ ভিতৰতে পোনতে বিহুগীতৰ কথাই উল্লেখযোগ্য। অসমৰ লোকসমাজত পালিত বসন্ত উৎসৱ মূলতঃ কৃষি উৎসৱ। এই উৎসৱ বছৰৰ ভিন ভিন সময়ত তিনিবাৰ পালন কৰা হয়। কৃষিকাৰ্যৰ আৰম্ভণিত, কৃষি বাঢ়ি অহাৰ সময়ত আৰু কৃষি চপোৱাৰ সময়ত অসমীয়া জনসাধাৰণৰ বাবে বহাগ বিহু যেতি আৰম্ভণি আৰু মাঘবিহু সামৰণিৰ উৎসৱ।

বসন্ত পৰশত যেতিয়া প্ৰকৃতি সজীৱ আৰু ঠন ধৰি উঠে, ৰং-বিৰঙৰ ফুল পাতে জাতিষ্কাৰ হয়, ভোমোৰাৰ গুনগুন আৰু কুলি চৰাইৰ মন উতলা কৰা মাতে ডেকা-গাভৰুৰ মনত ন বসন্তৰ উন্মাদনা জগাই তোলে আৰু প্ৰকৃতিৰ আহ্বানত ডেকা-গাভৰু আগবাঢ়ি আহি জীৱনক উপভোগ কৰিবলৈ। বিহুগীতৰ মাজেৰে তেওঁলোকে মনৰ উদ্দাম কামনা-বাসনাবোৰ প্ৰকাশ কৰে। যেনে →

চাইনো চাই থাকিলে হাবিয়াহ নপলাই
নেখালে নুগুচে ভোক
কিনো আমে যাতি বালি হাতৰ বেঙেনা

দলিয়াই দি যায় তোক।
* * * *

তইনো কলীয়া অলিয়া বলিয়া
মোকে কৰি গলি গাইল
জালি কটা বেৰেদি সুহুৰি মাৰিলি
হোগা ভোতক কৰিলি চাউল

বড়ালী বিহু প্ৰেম আৰু যৌৱনৰ উৎসৱ। সেয়েহে এই উৎসৱৰ লগত জড়িত নৃত্য-গীতসমূহৰ যোগে যৌন অভিব্যক্তি আৰু কামনা বাসনা উদ্দাম গতিৰে প্ৰকাশ পায়। যেনে:-

কিনো চৈত্ৰশীয়া বদে চো চো
পেটতো লাগিছে ভোক
ভিয়হো নহলি চিৰালো নহলি
কেঁচাই খালোঁহেতেন তোক।

ii) বিয়ানাম:- বিয়ানাম অসমীয়া লোক সাহিত্যৰ অন্তৰ্ভুক্ত এক অনুপম সম্পদ। নাৰী সমাজত প্ৰচলিত বিয়ানামসমূহত নাৰী মনৰ কোমলতা, সৌন্দৰ্যপ্ৰিয়তা, স্পৰ্শকাতৰতা আৰু অন্য মাধুৰী জিলিকি উঠা দেখা যায়। বিয়ানামৰ স্ৰষ্টা নাৰী। সেয়েহে ইয়াত নাৰীৰ কলাসুলভ মনৰ অভিব্যক্তি

ব্যক্তিত হৈ উঠে। নাৰী জীৱনৰ দায়িত্ব, কৰ্তব্য, সহনশীলতাৰ মনোভাৱ, আশা-আকাংক্ষা, ভাব কল্পনা, জীৱনত পোৱা বিচিত্ৰ অভিজ্ঞতা আদি বিভিন্ন দিশ বিয়ানামৰ মাজেদি স্পষ্টৰূপত জিলিকি উঠে —

'লাই শালে জালে আবেলি বতাহে
লফা শালে জালে পাতে হে'
'আমাৰ আইদেউ নিচেই কুমলীয়া
যেন কলপাতৰ খুৰি
আটিব নাজানে ককালৰ কাঁচুটি
মেলিব নাজানে চুলি'

*    *    *    *

ঔ গছৰ কোমল কুহি
ভোটো পাতি খায়
মা-দেউতাৰ চকুৰ মনি
লোকে লৈয়া যায়।

নাৰীসকলে বিয়াৰ বিভিন্ন প্ৰসংগত নানা প্ৰকাৰৰ গীত-পদ গায়। জোৰণ, পানীতোলা, গাঠিয়ন খুন্দা, শ্ৰাদ্ধ, দৰা-কইনাক নুওৱা, সুৱাগুৰি তোলা, দৰা-আদৰা, হোমৰ গুৰিলে কইনা উলিওৱা, কন্যা সম্প্ৰদান, আগি তোলা আদি বিভিন্ন ভাগত বিয়ানামবোৰক ভগাব পাৰি। এই সকলোবোৰ গীত আমাৰ গাঁৱৰ বিবাহ অনুষ্ঠানত মহিলাসকলে গোৱা দেখা যায়।

iii) <u>আইনাম</u> :- অসমৰ নাৰীসমাজে সৰলভাৱে বিশ্বাস কৰে যে বসন্তৰ অধিকাৰী দেৱী আই সকলো দুৰ্গা বা মহামায়াৰে আন এটি ৰূপ। বসন্তকালত আই ওলোৱা মানুহক লোকবিশ্বাস অনুসৰি "শকনি" আৰু "মকনি"ৰ ব্যৱস্থা কৰি পিছতহে দেৱী সকলোক সন্তুষ্ট কৰিবলৈ খুটীয়া তামোল আৰু আগলতি পাতত উৰ বগা ফুলেৰে "আহান" (আসন) পাতি আইক আহ্বান জনোৱা হয়। যেনে :-

আসন পাতি দিয়া বহক মহামায়া
থাকক হৰি কথা শুনি,
সকলো গোসাঁয়ে একেটি চিত্তে
বোলা দুৰ্গতি নাশিনী।
নাম্বৰা নামতী আই পাৰেৰতী
নামকে বিচাৰি যাওঁ,
পিছলাৰ ঘাটে আই নামি আহে
বৰআইৰ আগতে যাওঁ।

নাৰীমনৰ কাৰুণ্য তথা কোমলতাৰে পৰিপূৰ্ণ উক্তিৰে এই গীতসমূহে সহৃদয় লোকৰ অন্তৰ স্পৰ্শ কৰিব পাৰে। এই অঞ্চলত আই দেখা দিয়া গৃহস্থৰ ঘৰত হৈয়াৰ স্থানীয় মহিলাসকলে আইনাম গোৱা পৰিলক্ষিত হয়।

(iv) লখিমী সবাহৰ নাম :- অসম কৃষিপ্ৰধান দেশ। কৃষক জনসাধাৰণৰ লোকবিশ্বাসৰ আধাৰতে সৃষ্টি হোৱা লোক উৎসৱ লখিমী সবাহ উপলক্ষে গোৱা গীতেই হৈছে লখিমী সবাহৰ গীত। আঘোণ মাহত পথাৰৰ ধান্যদেৱী লখিমীক চপাই ঘৰলৈ অনা হয়। সেই অনুসৰি ঘৰৰ মূল গৃহস্থজনে অতি শ্ৰদ্ধাৰে তিনিমোচা ধান ন-গামোচাৰে মেৰিয়াই মূৰত তুলি ঘৰলৈ আনে। সেইদিনা ঘৰৰ জীয়ৰী বোৱাৰীসকলে পবিত্ৰ মনোভাৱেৰে আলি-পদূলি সাৰি-মচি, পদূলিমুখত কলপুলি পুতি, ভঁৰালত চাকি-বন্তি জ্বলাই গীত গাই লখিমীক আদৰি আনে —

নবায়ো কান্দিলে তবায়ো কান্দিলে
তই থাক মই যাওঁ কৰি
ভঁৰালতে ধৰলী কাপে থৰে থৰি
লখিমী পালেহি বুলি।
থুৰিতে হৰিলে হাবিৰে হৰিণা
নৈতে হৰিলে শিল।
আজি তোলে গাৰে লক্ষ্মী আই আহিছে
ভঁৰালত পাতিছে বিল।

নাৰীসকলৰ ভক্তিভৰা আকুতিৰে পৰিপূৰ্ণ লখিমী সবাহৰ গীতসমূহ কৃষক সমাজৰ পৰম্পৰাগত সাংস্কৃতিক অমূল্য ৰত্ন তথা

লোকবিশ্বাসৰ অনুপম নিদৰ্শন। লখিমী সবাহৰ গীতসমূহো অতীজৰে পৰা এই অঞ্চলত প্ৰচলিত হৈ আহিছে।

(V) <u>অপেশ্বৰী সবাহৰ নাম:-</u> চহা সমাজ জীৱনত সকল বিশ্বাসৰ আধাৰত সৃষ্টি হোৱা ধৰ্মীয় লোকগীত হৈছে অপেশ্বৰী সবাহৰ নাম। এই নাম অসমৰ উজনি-নামনি সকলোতে প্ৰচলিত। উজনি অসমত চকু নমা, শিয়াল গলা বা পিঠাখোৱা ৰোগ আদি হ'লে লগতে সঠিক সময়ত পুষ্পিতা নহ'লে অপেশ্বৰাৰ দোষ লগা বুলি বিশ্বাস কৰে। নামনি অসমতো বয়স অনুপাতে শ্ৰীবৃদ্ধি নোহোৱা, শুকাই-খিনাই যোৱা শিশু অপেশ্বৰীৰ কুদৃষ্টিত পৰা বুলি বিশ্বাস কৰা হয়। উজনি নামনিৰ লগতে নলবাৰী জিলাৰ অন্তৰ্গত জাপাৰকুছি গাঁৱতো অপেশ্বৰী সবাহৰ নামৰ প্ৰচলন লক্ষ্য কৰা যায়। যিহেতু শুকাই-খীনাই যোৱা শিশুসকলক অপেশ্বৰীৰ কুদৃষ্টিত পৰা বুলি বিশ্বাস কৰা হয় সেয়েহে দোষ নিবাৰণৰ বাবে কল, পিঠাগুৰি, গাখীৰ আদি নৈবেদ্য আগবঢ়াই মাজচোতালত ডোঙটকৈ খন্দোৱা মণ্ডপ সাজি ৩/৫ গৰাকী কুমাৰী ছোৱালীক অপেশ্বৰী সজাই নাৰীসকলে কেৱল কাণ্ড কাটিৰে গায় —

যোনবে ডুমনি পাখি
ভাপবে ডুমনি পাখি
আই নামি আহে ভেব ডুবৰীয়া
ডুবীয়াব ভীবকে বাখি।
ভোনে-বেলিয়ে লগে ভটিয়ালে
লগত যায় ভামুলী ভৰা;
যনিক হৈ যোৱা আই অপেশ্বৰী
লৈ যোৱা কুমাৰীৰ পূজা।

vi) নিচুকনি গীত :- নলবাৰী অঞ্চলত এই নিচুকনি গীতক 'চলি ভুৰকোৱা গীত' বোলা হয়। এনে গীতৰ মাজেৰে নলবৰীয়া লোকে কবিয়ে নিজস্ব ভাষাটোকো দাঙি ধৰাৰ প্রয়াস করে। সমগ্র অসমৰ লগতে আমাৰ এই অঞ্চলতো শিশুসকলকো নিচুকাবলৈ মাতৃসকলে এই গীত গোৱা দেখা পোৱা যায়। উদাহৰণ :—

বাপা সহঁাই আহ আহ
আমাৰ বাপাৰ মৃতত বহ
চাউল দিম চৰু দিম ববপীড়াখন পাতি দিম
ভাতে বহি খঁদ দে খঁদ দে

এনে গীত মাতোঁতে মাইকীসকলে শিশুসকলক নিচুকাবলৈ যত্ন কৰে। নলবাৰী অঞ্চল তথা জাপাৰকুছি অঞ্চলৰ গৰখীয়া লৰাবোৰে পথাৰে যোৱা মানুহৰ মংগল কামনা কৰিও কিছুমান গীত গায়। যেনে :-

ভাল হওঁক, কুশল হওঁক
গৰখীয়া চলি ভোলোক (ভাল হওঁক) দিছি
দুই চাইৰ পইছা দি যাওক।

জাপাৰকুছি গাওঁখন ঘাইকৈ কৃষিজীৱি গাওঁ। খেতিয়কৰ বাবে নাঙল আৰু গৰুহাল অতি মূল্যবান আৰু আদৰৰ। গৰুহাল আৰু নাঙলক কেন্দ্ৰ কৰি এই অঞ্চলৰ কৃষকে গোৱা গীত-মাতবোৰ এনেধৰণৰ —

হায় মোৰ বুঢ়া হাইলা ঐ
খুজত লইৰা নৰা, দুপত বাথৰি পৰা
হায় মোৰ বুঢ়া হাইলা এ।
হাল বাই আহি বুঢ়াই কইল্লাক মেল
ও মুকুটাৰ আঁঠিও টাকা বান্ধি
গৰু কিনবা গেল

লোক সমাজক শ্ৰমৰ কথা পাহৰি থাকিবলৈয়ো কিছুমান গীত গোৱা হয়। মাছধৰা, ধানবনা, সূতাকটা আদি যি কামত শাৰীৰিক শ্ৰম হয়, তাক পাহৰি থাকিবলৈ আমাৰ গাওঁখনত কিছুমান গীত প্ৰচলিত হৈ আছিছে। যেনে:-

(১) আক্ খোঁট মাৰি কেক গেলি
ভোৱে বাইশেৰ মূঠা খালি

তাৰ দি ঢুক দি মোৰ ৰবাইক মাত দি
নেদামদি টোপটুকে দি নি । ( মাছমৰা গীত ) ।

(২) লুচ বাবা লুচ
চানৰ বাকলি খুচ
সৰুলিকে হালোৱা আৰি
মোক দুলিব খুচ
লুচ বাবা লুচ ...... ( চান বনা গীত ) ।

viii) <u>যাত্ৰা সান্দহ খুন্দা গীত</u> :- যাত্ৰা সান্দহ খুন্দা পৰ্বটো হৈছে বিবাহ অনুষ্ঠানৰ এক গুৰুত্বপূৰ্ণ অংশ। বিয়াৰ ৫/৭ দিন আগতে "যাত্ৰা সান্দহ" খুন্দা নামেৰে এটা পৰ্ব অনুষ্ঠিত হয়। যাত্ৰা সান্দহ খুন্দোতে নলবাৰীৰ লগতে আমাৰ গাঁৱৰ আয়তীসকলে ঢেকীৰ তালে তালে কিছুমান গীত গোৱা পৰিলক্ষিত হয়। সম্প্ৰতি আধুনিকতাৰ বা লাগি চহৰত লুপ্ত হোৱা এনে গীত মাতবোৰৰ ৰচনা প্ৰক্ৰিয়াও গ্ৰামাঞ্চলত প্ৰচলিত আছে। তেনে এটি গীত হৈছে →

চাউল চালি দিছেলো, চাউল গল পিছলি
ঐ ৰাম কুলা চাউল দুটালি খাইছে
দলাৰে মকোৰা চাউল চালি খকুৱা
কুলাৰ চাউল গাল মাৰি খাইছে ।

viii) <u>জোৰা নাম বা খিচাগীত</u> :- জোৰা নাম বা খিচাগীতসমূহ বিবাহ অনুষ্ঠানৰ লগত জড়িত গীত। জোৰানামসমূহ বিয়াগীতৰে অন্যতম এটি ভাগ। বিভিন্ন প্ৰসংগত গোৱা জোৰানাম (খিচাগীত) বোৰে নলবাৰী অঞ্চলৰ লোকমানসৰ পৰিচয় দাঙি ধৰে। এই জোৰানাম

নলবাৰীৰ লগতে আমাৰ জপাৰকুচি গাওঁতো অতীতৰ পৰা প্ৰচলিত হৈ আহিছে। তেনেকুৱা কেইটামান গীত হ'ল —

(১) আহা এ পানী চল চল
দ-ত দেখি নাযাবি খিয়ে যাবি ভল হে
ঘটিয়ালে মেলি আছে গল।

(২) বৰৰ মাক আজলী আইখন ছিজালি
কি লিখি ঘৰক যাবি এ
বৰৰ মাকৰ ককালখন খটিকা মুঠিয়া
সুৰাস তুলি ঘৰক যায় ৰথতে উঠিয়া

(৩) বামুণ আতা দীঘল পেটা
দীঘল কৰি মাইছাৰ ডুনি
মোটা কৰি চিৰী পালি
ডুনি বুৰ কুনি ?

(৪) ৰভাৰ খুঁটা হেলেকা ভভাৰ খুঁটা হেলেকা
দৰাৰ সখীয়েকৰ চকু দুটা টেলেকা
টেলেকা যদি টেলেকা, টেলেকা যদি টেলেকা
আমি খোৱা পাওঁবোৰ তোমালোকে চেলেকা।

(ix) <u>মহোহো গীত:-</u> নামনি অসমৰ কামৰূপত প্ৰচলিত এক জনপ্ৰিয় অনুষ্ঠান হৈছে মহখেদা উৎসৱ। আঘোন মাহৰ পূৰ্ণিমা তিথিত সৰুখীয়া ল'ৰাবোৰে এই উৎসৱ অনুষ্ঠিত কৰে। সেই অনুসৰি মহোহো গীত গাই মানুহৰ চোতালে চোতালে নাচোন-বাগোন কৰি আশীৰ্বাদ দিয়ে। এনে কাৰ্যৰ ফলত মহৰূপী অপশক্তি দূৰৈলৈ আঁতৰি যায় বুলি বিশ্বাস কৰা হয়। এই মহখেদা উৎসৱটো আমাৰ গাওঁতো প্ৰতিবছৰে অনুষ্ঠিত হৈ আহিছে। ঘৰে

ঘূৰে সতথীয়া লৰাবোৰ আহে আৰু গীত গায়। এই গীতবোৰক মহোহো গীত বোলা হয়।

ঐ হৰি মহোহো
মহ খেদবা আহিছো
মহে খুলে মল্লু দে
টেঁপল খুৰা খালু দে
টেঁপলত নহল নুন। (নিময)
চাউল কাৰে ফুন ফুন
চাউল নিদি দিলাক খৰি
এন্নোৰ ঘৰ লৰি চৰি
লৰি-চৰি যাওঁতে
মনাৰ নাঙল পাওঁতে
মনাৰ নাঙল অগাৰ ফাল
এন্নোৰ ঘৰ দেইখৰা ভাল।

মহোহো গীতসমূহ ছন্দোবদ্ধ আৰু কিছু পৰিমাণে অৰ্থহীন। গীতসমূহ শিশু মনোৰমী হোৱা হেতুকে বিষয়ৰ পৰা বিষয়ান্তৰলৈ গতি কৰি অন্য এটা বিষয়ত পৰিসমাপ্তি ঘটে। তথাপিও লোকবিশ্বাসৰ আঁতৰত গঢ় লৈ উঠা ই এক অমূল্য সম্পদ।

x) <u>খেল-ধেমালিৰ গীতঃ-</u> মানুহে অৱসৰ-বিনোদনৰ বাবে নানা ধৰণৰ খেল-ধেমালি খেলা দেখা যায়। সমগ্ৰ পৃথিৱীৰ মানুহৰ মাজত খেল-ধেমালি আছে। কিন্তু, ঠাইভেদে ভিন্নতা আছে। বৰ্তমানৰ ক্ৰিকেট খেল বিশ্বব্যাপক। কিন্তু, ক্ৰিকেট খেলক নলবাৰী অঞ্চলত আজিও প্ৰচলিত হৈ

থকা ভাৰ্টা হাঁচাৰ লগত তুলনা কৰি চাব পাৰি। আন এটা বৰ্তমানৰ আন্তৰ্জাতিক খেল ভলী। ভলীখেলৰ লগত নলবাৰী অঞ্চলৰ গোপ খেলৰ অনুপম সাদৃশ্য আছে।

ইয়াৰ উপৰিও নলবাৰী তথা আমাৰ সাঁতত হাডুখেল, গোপখেল, বলখেল, গুটিখেল, লুকালুকি (লুকাভাকু), টাংগুটি, ভেলকুটি-কুটি, যাঁতোৰ, লেংখেল আদি খেলসমূহ অতি প্ৰাচীন কালৰে পৰা চলি আহিছে। খেল-ধেমালিত গোৱা গীতসমূহত নলবাৰী অঞ্চলৰ উপভাষাৰ নিদৰ্শন পোৱা যায়। যেনে:- (গীতসমূহ হ'ল) —

(১) অ হৰি নায়ে
গোঁসাই কাপুৰ লায়ে
আখান দিলু দুখান দিলু
আৰু কেইখান লাগে।

(২) হাডুৰে হুলিয়া
বলিৰ বৰটান ভুলিয়া
বালক নিলাক চোৰে
বুকু হয় হয় কৰে।

(৩) আতুৰ গুৰ মাতুৰ জালি
ঘোঁৰাৰ নাকত দিলু জৰী
ঘোঁৰা গেল উভতে
আল মাছে গুজৰে. - - - -

১.৩
## লোক পৰিৱেশ্য কলাসমূহৰ সাংস্কৃতিক দিশলৈ অৱদান / সামাজিক ভূমিকা

লোকপৰিৱেশ্য কলা লোক-সংস্কৃতিৰ এক অন্যতম অংশ। অতীতৰ পৰা লোক পৰিৱেশ্য কলাসমূহে আমাৰ বিশেষকৈ গ্ৰাম্য সমাজত বিশেষ সমাদৰ লাভ কৰি আহিছে। লোকপৰিৱেশ্য কলাসমূহে মানুহৰ বিভিন্নতাৰ মাজতো ঐক্যৰ প্ৰতিফলন ঘটাই আৰু পাৰস্পৰিক সহানুভূতিশীলতাই পৰিচয় দাঙি ধৰে। লোক পৰিৱেশ্য কলা লোক সমাজৰ দ্বাৰা সৃষ্ট পৰিৱেশন ৰীতিৰ সহায়ত প্ৰচলিত হৈ থাকে। পৃথিৱীৰ অন্যান্য সমাজৰ লগতে অসমতো অতি প্ৰাচীন কালৰ পৰা লোক পৰিৱেশ্য কলাসমূহ প্ৰচলিত হৈ আহিছে। লোক পৰিৱেশ্য কলা-ৰীতিৰ বৈচিত্ৰ্যই অসমৰ সাংস্কৃতিক পৰম্পৰাক এক সুকীয়া মৰ্যাদা প্ৰদান কৰি আহিছে। নাগাৰা নাম, ওজাপালি, ঢুলীয়া, ভাওৰীয়া, পুতলা নাচ, আপী ওজা, দেওধনী নৃত্য, দেৱদাসী, কুষানগান, ভাৰীগান, খেৰাই নৃত্য, বাগুৰুম্বা আদি অসমৰ অতি বহলভাৱে প্ৰচলিত আৰু জনপ্ৰিয় লোক পৰিৱেশ্য কলা।

জাপাৰকুছি গাওঁত প্ৰচলিত লোক পৰিৱেশ্য কলা সমূহৰ ভিতৰত নাগাৰা নাম, বিহু নাম বা দিহা নাম, আয়তীৰ নাম, বায়নৰ দল, ভাওৰীয়া দল উল্লেখযোগ্য। এই লোক পৰিৱেশ্য কলাসমূহে গাওঁখনৰ জনসাধাৰণক একতাৰ ডোলেৰে বান্ধি ৰাখিবলৈ সক্ষম হৈছে। সেয়ে আমি কৈব পাৰো যে এই লোক পৰিৱেশ্য কলাসমূহৰ সামাজিক দিশলৈ ভূমিকা

অপৰিসীম। যিহেতু আমাৰ গাওঁত এই লোক পৰিৱেশ্য কলাসমূহৰ প্ৰচলন দেখা যায় যেয়ে ইয়াৰ লগত জড়িত শিল্পীসকলে দৰ্শকসকলক মনোৰঞ্জনৰ খোৰাক যোগোৱা পৰিলক্ষিত হয়। অঞ্চলটোৰ অন্যতম এক লোক পৰিৱেশ্য কলা হৈছে নাগাৰা নাম। নাগাৰা নামৰ মূল নামবোৰ পৌৰাণিক ধৰ্মগ্ৰন্থ, নামঘোষা, কীৰ্তনঘোষা, ভাগৱত, ৰামায়ণ, মহাভাৰত, গৰুড় পুৰাণ, কালিকাপুৰাণৰ কাহিনীৰ আধাৰত প্ৰস্তুত কৰা। এই ধৰ্মগ্ৰন্থবোৰৰ পৰা নামৰ গীত শ্ৰোতা দৰ্শকৰ সন্মুখত নাগাৰা নাম পৰিৱেশন কৰি ৰাইজক ভগৱানৰ মাহাত্ম্য সম্পৰ্কে অৱগত কৰি ধৰ্ম, ভাষা, বৰ্ণ নিৰ্বিশেষে সমাজত ঐক্য সংহতিৰ এনাজৰীডাল কটকটীয়া কৰাটো সামাজিক ভূমিকাৰ অন্তৰ্গত এক দিশ। কেৱল নাগাৰা নামতেই নহয়, আয়তীৰ নাম, বিয়া নাম, দিহা নাম আদিতো ভগৱানৰ মাহাত্ম্যৰ কথা উল্লেখ পোৱা যায়। এই লোক পৰিৱেশ্য কলাসমূহে গাওঁখনৰ জনসাধাৰণৰ মাজত বিপুল জনপ্ৰিয়তা অৰ্জন কৰি আহিছে। কাৰণ এইসমূহে এটা জাতিৰ বা সংস্কৃতিৰ পৰিচয় দাঙি ধৰে। সংস্কৃতি এটা জাতিৰ দাপোনস্বৰূপ। গাওঁখনৰ লোক পৰিৱেশ্য কলাসমূহৰ পৰা ধাৰণা কৰিব পাৰি যে গাওঁখন সাংস্কৃতিক পৰম্পৰাৰ ধাৰক আৰু বাহক হিচাপে বিশেষ ভাৱে কৃতিত্ব অৰ্জন কৰিছে। আজিৰ বিজ্ঞান আৰু আধুনিকতাৰ অগ্ৰগতিৰ এই পৰিস্থিতিৰ এনে লোক পৰিৱেশ্যকলাসমূহক একমাত্ৰ অসমীয়া জাতিৰ স্বাৰ্থতেই জীয়াই ৰখাটো আমাৰ সকলোৰে দায়িত্ব, কৰ্তব্য।

"জাপাৰকুছি আঞ্চলিক নাগাৰা নামৰ দল"— এইটো হৈছে গাঁওখনৰ একমাত্ৰ নাগাৰা নামৰ দল। ১৯৭৮ চনত জন্ম হোৱা জাপাৰকুছি আঞ্চলিক নাগাৰা নাম দলটোৱে সমগ্ৰ জিলাখনৰ লগতে অসমৰ বিভিন্ন ঠাইত নাম পৰিৱেশন কৰি সুখ্যাতি অৰ্জন কৰিবলৈ সক্ষম হৈছে। সঠিকে ইয়াৰ পৰা জনা যায় যে এই আঞ্চলিক দলটোৱে সাংস্কৃতিক ক্ষেত্ৰখনত এক বিশিষ্ট অৱদান আগবঢ়াই থৈ গৈছে। এইদলৰ বৰ্তমানৰ পাঠক সৌমিত্ৰ বৰ্মনৰ পৰিচালনাত দুখনকৈ শ্ৰেষ্ঠ কেছেটো উলাইছে। এই দলটোৱে আৰ্জিত ধনেৰে গাঁওৰ মূল নামঘৰ ৪টাত এখনকৈ শৰাই দান কৰিছে। এই দলটোৰ একজন ভাল তালবাদক হৈছে মহেশ্বৰ বৰ্মন। তেখেতে বিভিন্ন ঠাইত ভাল বজাই এই স্থানীয় অঞ্চলটোলৈ সুনাম কঢ়িয়াই আনিছে।

এইখিনিতে আন এটা উল্লেখনীয় কথা যে ১৯৯৩ চনত জাপাৰকুছি বিদ্যালয় প্ৰাংগনত কেইজনমান ব্যক্তিৰ প্ৰচেষ্টাৰ ফলত চৌৰটি শ্ৰী' হিচাপে মঞ্চস্থ কৰা হৈছিল। এই নাটখন মঞ্চস্থ কৰাৰ ক্ষেত্ৰত আগভাগ লোৱা ব্যক্তিসকলৰ ভিতৰত সত্যজিৎ বৰ্মন, গৌৰী বৰ্মন, চবিন বৰ্মন, সুশীল মেধি, সতীশ পাঠক আদি ব্যক্তিৰ নাম উল্লেখ নকৰি নোৱাৰি। ইয়াৰ উপৰি ১৯৯২ চনৰ পৰা ১৯৯৫ চনলৈ এই গাঁওৰ বয়োজ্যেষ্ঠ ব্যক্তিসকলে "মনিৰাম দেৱান", "জীৱন ড্ৰাইভাৰ", "সংস্কাৰ" আৰু "কলংকিনী নায়িকা" এই ৪খন পূৰ্ণাংগ নাট মঞ্চস্থ কৰে।

ওপৰত উল্লেখিত আলোচনাৰ পৰা এটা কথা প্ৰতীয়মান হয় যে জোপাৰকুছি গাঁওখন সাংস্কৃতিক দিশত যথেষ্ট আগবঢ়া। গাঁওখনৰ কিছুসংখ্যক লোক এতিয়াও সাংস্কৃতিক দিশৰ লগত ওতঃপ্ৰোতভাৱে জড়িত। শেষত অনাগত দিনবোৰত নতুন প্ৰজন্মই সাংস্কৃতিক দিশত আগবাঢ়ি আহি নিজৰ ব্যক্তিত্বৰ বিকাশ সাধন কৰাৰ লগতে জোপাৰকুছিৰ সাংস্কৃতিক পৰম্পৰা সমুজ্জ্বল কৰি ৰখাৰ কামনা কৰিলো।

## ১.৪

## লোকপৰিৱেশ্য কলাসমূহত বিশ্বায়নৰ প্ৰভাৱ কিদৰে পৰিছে :-

অসমীয়া ভাষাত ব্যৱহৃত লোকসংস্কৃতি শব্দটো ইংৰাজী Folk lore শব্দৰ সমাৰ্থক বুলি ধৰা হয়। "Folk" মানে লোক বা জন আৰু "Lore" ৰ অৰ্থ হ'ল বিদ্যা। গতিকে কৃষক সমাজৰ সংস্কৃতিয়েই হ'ল লোকসংস্কৃতি। লোকসংস্কৃতিৰ প্ৰধানতঃ ৪টা ভাগ থকা পৰিলক্ষিত হয়। সেইকেইটা হ'ল →

(১) মৌখিক সাহিত্য বা মৌখিক লোকবিদ্যা।
(২) সামাজিক লোক প্ৰথা বা লোকাচাৰ।
(৩) ভৌতিক সংস্কৃতি।
(৪) লোক পৰিৱেশ্য কলা।

লোক পৰিৱেশ্য কলাসমূহৰ অন্তৰ্গত অনুষ্ঠানসমূহ যিহেতু সমগ্ৰ অসমত প্ৰচলিত হৈ আহিছে, সেয়ে ইয়াৰ জনপ্ৰিয়তা সকলোতে বিদ্যমান। কিন্তু, সাম্প্ৰতিক কালত আমি সকলোৱে দেখিবলৈ পাওঁ যে এই অনুষ্ঠানসমূহ লাহে লাহে আমাৰ সমাজৰ পৰা বিলুপ্ত হ'বলৈ ধৰিছে। ফলত ইয়াৰ পূৰ্বতে থকা জনপ্ৰিয়তা বহখিনি হ্ৰাস হ'বলৈ ধৰিছে। আগতে পূজা-পাৰ্বণ, উৎসৱ অনুষ্ঠান আদিত এই পৰিৱেশ্য কলাসমূহৰ প্ৰদৰ্শন আমি যেনেদৰে দেখিবলৈ পাইছিলো, এতিয়া ঠিক তেনেকুৱা প্ৰদৰ্শন আমি দেখিবলৈ নাপাওঁ। ইয়াৰ মূলতেই হৈছে আমাৰ অসমীয়া সংস্কৃতিত বিশ্বায়নৰ প্ৰভাৱ। আমাৰ অসমীয়া সংস্কৃতি হৈছে

এক অনন্য সংস্কৃতি। কিন্তু, এতিয়া একাংশ লোকে এই অনন্যপূৰ্ণ সাংস্কৃতিক বিকৃত কৰিবলৈ উঠি পৰি লাগিছে যেন অনুমান হয়।

লোক পৰিবেশ্য কলাসমূহ আজিৰ বিজ্ঞান আৰু আধুনিকতাৰ অগ্ৰগতিয়ে ক্ৰমশঃ নিঃশেষ কৰি পেলাব যেন বোধ হয়। আমি দেখিবলৈ পাওঁ যে পশ্চিমীয়া প্ৰধান সংস্কৃতিৰ ব্যাপক প্ৰসাৰে স্থানীয় সংস্কৃতি আৰু পৰম্পৰাৰ বৈচিত্ৰ্যৰ প্ৰতি ভাবুকি কঢ়িয়াই আনিছে যাৰ ফলত অসমৰ সাংস্কৃতিক পৰিচয় আৰু ঐতিহ্য হেৰুৱাৰ উপক্ৰম হৈছে। আমি প্ৰত্যেকজন অসমীয়া লোকে নিজৰ সাংস্কৃতিক আওকাণ কৰি পশ্চিমীয়া সংস্কৃতিক আকোৱালি লোৱা বাবে আজি আমাৰ অসমীয়া জাতিটো অস্তিত্বৰ সংকটত ভোগা দেখা গৈছে। ইয়াৰ একমাত্ৰ কাৰণ হৈছে বিশ্বায়নৰ প্ৰভাৱ। উদাহৰণস্বৰূপে — নাগাৰা নামৰ কিছুমান নিজস্ব ৰীতি আছে। গুৰুজনাই এই নাম বস্তুটো দি থৈ গ'ল। নাগাৰা নামৰ নিজস্ব মুদ্ৰা, ভংগীমা, তাল, মান আছে। কিন্তু সাম্প্ৰতিককালত আমি দেখিবলৈ পাওঁ যে বহুতেই নিজৰ মতে কৰিবলৈ গৈ নাগাৰা নামত হিন্দী গীতৰ সুৰ, জুবিনৰ গীতৰ সুৰ আনি সুমুৱাই প্ৰাচীন ৰীতি ভংগ কৰি এই শিল্পৰ মৰ্যাদাখিনি ক্ষতি কৰিছে। ইয়াত অকল শিল্পকে ক্ষতি নহয়, মহাপুৰুষ জনাক আমি প্ৰত্যক্ষভাৱে নহ'লেও পৰোক্ষভাৱে অপমানিত কৰি আছিছো। সেয়েহে সময় থাকোঁতে যদি আমি আমাৰ সাংস্কৃতিক বা লোক পৰিবেশ্যকলাসমূহক ধৰি ৰাখিব নোৱাৰো তেন্তে কালৰ সোঁতত এদিন অসমীয়া সংস্কৃতি, পৰিবেশ্য

কলাসমূহ সম্পূৰ্ণৰূপে নিঃশেষ হৈ যাব। আজিৰ পৰিস্থিতিত পৰিবেশ্য কলাসমূহক একমাত্ৰ অসমীয়া জাতিৰ স্বাৰ্থতে জীয়াই ৰখাটো আমাৰ সকলোৰে, বিশেষকৈ নৱপ্ৰজন্মৰ প্ৰধান দায়িত্ব, কৰ্তব্য।

## ৪.০
## পৰিসমাপ্তি

মই মহেন্দ্ৰ নাৰায়ণ চৌধুৰী বালিকা মহাবিদ্যালয়ৰ তৃতীয় বৰ্ষৰ ষষ্ঠ যান্মাষিকৰ ছাত্ৰী। ষষ্ঠ যান্মাষিকৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰমৰ অন্তৰ্গত ASM-HE-6056 কাকতৰ উল্লেখ অনুসৰি মযো এই অধ্যয়ন কাৰ্যটিত জড়িত হৈছো। আমাৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক/ অধ্যাপিকাৰ সন্মতিসূচে আৰু তত্ত্বাৱধায়িকাৰ নিৰ্দেশ মৰ্মে বৃহত্তৰ নলবাৰী জিলাৰ চমু পৰিচয়, ইয়াৰ লোক পৰিবেশ্য কলাৰ বিষয়ে লগতে নিজ অঞ্চলৰ লোক পৰিবেশ্য কলা সম্পৰ্কে, এইবোৰৰ সাংস্কৃতিক দিশলৈ অৱদান, বিশ্বায়নৰ প্ৰভাৱ কিদৰে পৰিছে আদি সম্পৰ্কে উক্ত বিষয়টিৰ ওপৰত অধ্যয়ন কৰিছো।

গুৱাহাটী বিশ্ববিদ্যালয়ে অধ্যয়ন কাৰ্যটি অসমীয়া সন্মান পাঠ্যক্ৰমত প্ৰথমতঃ অন্তৰ্ভুক্ত কৰা বাবে ইয়াক সাদৰেৰে গ্ৰহণ কৰিছো। কাৰণ বৰ্তমান বিজ্ঞানসন্মত শিক্ষা পদ্ধতি অতিকৈ আৱশ্যকীয় হৈ পৰিছে। গুৱাহাটী বিশ্ববিদ্যালয়ে স্নাতক পৰ্যায়ত প্ৰৱৰ্তন কৰা এই অধ্যয়ন কাৰ্যই শিক্ষাৰ্থীক কিছু সমস্যাৰ সৃষ্টি কৰিছে, যদিও ই এক ইতিবাচক দিশ। কাৰণ, অধ্যয়নশীলতাই মানুহৰ মনৰ বিকাশ সাধন কৰে।

পৰিশেষত, কাৰ্যটিত নিজে জড়িত

অধ্যয়ন

হৈ সুখী হোৱাৰ লগতে, মোৰ এই অধ্যয়নটি বৰ্তমান আৰু পিছলৈও সুবিধাজনক হ'ব বুলি মই আশাবাদী। মোৰ এই অধ্যয়নটিত অজানিতে যদি কিবা ভুল ত্ৰুটি হৈছে মই আলোচনালোকৰ ওচৰত ক্ষমা মাৰ্জনা বিচাৰি মোৰ অধ্যয়নটি সামৰিলো।

## ৬.০
## গ্ৰন্থপঞ্জী


১) দাস বৰুৱা ড° দীপামণি — অসমৰ লোকপৰিবেশ্য কলা (তৃতীয় খণ্ড), প্ৰথম প্ৰকাশ, ২০২১, মাৰ্চ।

২) শৰ্মা চন্দ্ৰ ড° নবীন — অসমীয়া লোক-সংস্কৃতিৰ আভাস, পঞ্চম প্ৰকাশ, ২০১১.

৩) শৰ্মা চন্দ্ৰ ড° নবীন — লোক-সংস্কৃতি, প্ৰথম প্ৰকাশ, ১৯৯৭.

৪) বৰুৱা কুমাৰ ড° বিৰিঞ্চি — অসমৰ লোক-সংস্কৃতি, ত্ৰয়োদশ প্ৰকাশ, ২০১৮, মাৰ্চ।

৫) ভূঞা ড° মলিনা — লোক-সংস্কৃতিৰ ৰূপদৰ্শন, প্ৰথম প্ৰকাশ, ২০১৭.

৬) শৰ্মা, ড° সত্যেন্দ্ৰনাথ — অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, দশম প্ৰকাশ, 2020

## স্মৃতিগ্রন্থ / আলোচনী / গবেষণা গ্রন্থ


১) শর্মা, অচ্যুত — সংকলন (স্মৃতিগ্রন্থ), ২০০৬

২) বর্মন, গৌরী — সোনালী স্মৃতি, ২০০৪, অক্টোবর

৩) বর্মন, গৌরী — সোনালী স্মৃতি, ১৯৯৯, অক্টোবর

৪) জিলা প্রশাসন, নলবাড়ী — নবদ্বীপ (নমামি ব্রহ্মপুত্র মহোৎসব) ২০১৭.

৫) বড়ো, ভবানী — অসমীয়া আরু বড়ো লোক উৎসব (গবেষণা গ্রন্থ), ২০১৭.

## ৬.০

# চিত্র সংযোজন




চিত্ৰ নং :> ১ জাপাৰকুছি গাঁৱৰ শিৱাশ্ৰমৰ মূল তোৰণ



চিত্ৰ নং :> ২ জাপাৰকুছি শিৱাশ্ৰমৰ মূল মন্দিৰ



চিত্ৰ নং ৩ → জাপাৰকুচি শিৱাশ্ৰমৰ পুখুৰী



চিত্র নং ৪ → জাপাৰকুছি লক্ষ্মী মন্দিৰ



চিত্র নং ৫ → পানী তোলা পৰ্ব



চিত্ৰ নং ৬ → নাগাৰা নাম পৰিৱেশন



চিত্ৰ নং ৭ → জাপাৰকুছি শনি মন্দিৰ

৬.০

## সংবাদদাতৰ পৰিচয়

| নাম | স্থান | বয়স |
| --- | --- | --- |
| ১) অতুল চন্দ্ৰ শৰ্মা | জাপাৰকুছি | ৬২ বছৰ। |
| ২) গৌৰী বৰ্মন | " | ৬০ বছৰ। |
| ৩) চবিন বৰ্মন | " | ৫৮ বছৰ। |
| ৪) উমেশ বৰ্মন | " | ৬৬ বছৰ। |
| ৫) ভূপেন পাঠক | " | ৫১ বছৰ। |
| ৬) দিলীপ বৰ্মন | " | ৬৫ বছৰ। |
| ৭) ৰাজেশ বৰ্মন | " | ৫২ বছৰ। |
| ৮) উপেন্দ্ৰ নাথ শৰ্মা | " | ৫৪ বছৰ। |